দিল্লীলৈ উভতি অহা। পিছে, তোমাৰ শেষ চিঠিখন পাবৰ প্ৰায় আজি এবছৰ হ'ল। প্ৰত্যুত্তৰত মই একো লিখিব পৰা নাছিলোঁ। নিমাত হৈ থকাৰ বাহিৰে যে মোৰ আৰু আন কোনো উপায় নাছিল। তুমি নিশ্চয় মোৰ ওপৰত খং কৰিছা। ভাবিছা মই ঠগ, প্ৰবঞ্চক আৰু বিশ্বাসঘাতক। মই স্বীকাৰ কৰিবলৈ বাধ্য হৈছোঁ যে মই প্ৰবঞ্চক আৰু বিশ্বাসঘাতক, কাৰণ তোমাক দিয়া কথা মই ৰাখিব পৰা নাই। মই লণ্ডনৰপৰা দিল্লীলৈ আহি ইয়াৰে বিশ্ববিদ্যালয় এখনত অধ্যাপনাৰ কাম কৰি আছোঁ। ডক্টৰেট ডিগ্ৰী কেতিয়াবাই লৈছোঁ। ঘৰলৈ এবাৰ গৈছিলোঁ। পিছে তোমাক দেখা কৰিবৰ মোৰ সাহ হোৱা নাছিল। আনমনা মই বৰ দুঃখিত যে মই মোৰ প্ৰতিশ্ৰুতি ৰাখিব পৰা নাই। মই সঁচাকৈয়ে দোষী- তোমাৰ ওচৰত, তোমাৰ দেউতাৰ ওচৰত মই যি অপৰাধ কৰিলোঁ, - সেইটো মই কেতিয়াও কৰিব নালাগিছিল। মই জীয়াই থকাতকৈ মৰাই ভাল আছিল। আনমনা, তুমি নিশ্চয় ভাগৰি পৰিছা। কি কৰিম- ই যে মোৰ কপালৰ লিখন আছিল। মই লণ্ডনত থকা সময়তে এজনী ইংৰাজ ভদ্ৰমহিলাক বিয়া কৰাইছোঁ। তেও হ'ল মোৰ গৱেষণাৰ গাইড্ ডঃ গ্ৰেডৰ একমাত্ৰ জীয়েক। তেৱোঁ ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। আমি দুয়ো এইখন বিশ্ববিদ্যালয়তে কাম কৰি আছোঁ।

আনমনা, তুমি চাগে চাৰিওফালে অন্ধকাৰ দেখিছা। মই যে নিৰুপায়। তোমাক মই কিহেৰে শান্তি দিম ? মোৰ দৰে পাপী এই সংসাৰত নাই। তোমাৰ প্ৰতি কৰা মোৰ অন্যায়ৰ শাস্তি মোৰ প্ৰাপ্য। মোক ক্ষমা কৰিবা, আনমনা।

শেষত তোমাৰ দেউতালৈ মোৰ সেৱা থাকিল। পুনৰ মৰমেৰে-

তোমাৰ-
প্ৰবীণ বৰুৱা

আনমনাই চাৰিওফালে কেৱল অন্ধকাৰ দেখিলে। ই যেন বিনা মেঘে বজ্ৰপাত। তাই অনুভৱ কৰিলে যে পৃথিৱীখন যেন খুব দ্ৰুত গতিত ঘূৰিবলৈ ধৰিছে। তাইৰ মন সাগৰত এক প্ৰলয়ঙ্কৰী ধুমুহাৰ সৃষ্টি হ'ল। প্ৰবীণ ইমান নিষ্ঠুৰ, বিশ্বাসঘাতক আৰু প্ৰবঞ্চক ! ই যে তাইৰ সপোনৰো অগোচৰ আছিল। কাষৰ বিছনাখনতে তাই ঢলি পৰিল। ধাৰাসাৰে চকুলো তাইৰ দুগালেদি বাগৰি আহিল। ইহ সংসাৰত জীয়াই থকাৰ আশা তাইৰ আৰু নাইকিয়া হ'ল। কিন্তু সেই মুহূৰ্ত্ততে তাইৰ দেউতাকৰ কথা মনত পৰিল। দেউতা শয্যাগত- অসুস্থ। নাই, দেউতাকৰ কাৰণে তাই জীয়াই থাকিবই লাগিব। দেউতাকক কোনে চাব ? তাই জীয়াই থাকিবই। তৎক্ষণাৎ কবিতা এফাকি তাইৰ মনত পৰিল-

"যদি সঙ্গে তোৰ কেউ না আসে
তবে একলা চলো ৰে।"

তাই জীয়াই থাকিবই। তাই দুৰ্বল নহয়। এনেতে দেউতাকে তাইক মাতিলে,

"আনমনা।" আনমনাই চিঠিখন লৈ দেউতাকক দেখুৱালে। লগতে সকলো কথা ক'লে। দেউতাকে মনত বৰ দুখ পালে। কিন্তু সেই মুহূৰ্ত্তত তেওঁ কৈ উঠে, "আনমনা, তোক মই সুপাত্ৰত অৰ্পণ কৰিম। মই মনত শান্তি পাম। সেয়ে মই তোক কৈছিলোঁ যে মোৰ বন্ধু বীৰেশ দাসৰ একমাত্ৰ পুতেক ৰবীনৰ লগত তোৰ বিয়াখন পাতিব লাগে। পাহৰি যা প্ৰবীণক। সি আমাৰ কোনো নহয়। সি ঠগ, প্ৰবঞ্চক আৰু নিষ্ঠুৰ। তাক পাহৰি যা, আই।" কিন্তু আনমনাই কান্দি কান্দি কৈ উঠে, 'দেউতা, তেনে কথা মুখত নল'ব। মই কেতিয়াও বিয়াত নবহোঁ। আপুনি ভাল হৈ উঠক- এয়ে মোৰ একমাত্ৰ কামনা।"

দেউতাকে আৰু একো নকলে। কেৱল তেওঁৰ দুগালেদি চকুলো বৈ গ'ল। আনমনাৰ মূৰত হাত ৰাখি তেওঁ কয়, 'তোৰ মনত দুখ দি মই একো নকৰোঁ। মই ভাল হৈ উঠিম, আই। তই চিন্তা নকৰিবি।" দেউতাকৰ বুকুত মূৰ থৈ আনমনা কেৱল কান্দিয়ে থাকিল। আজি আনমনাই এইবোৰ কথা মনত পেলোৱাত তাইৰ দুগালেদি চকুলো বৈ গ'ল। দ্ৰয়াৰত থকা ডায়েৰিখনৰ পৰা প্ৰবীণৰ চিঠিখন উলিয়াই তাই দিয়াচলাইৰ কাঠি জ্বলাই তাক পুৰি পেলালে।

পুনৰ তাইৰ মনত পৰিল শয্যাগত দেউতাকৰ কথা। কথাতে কয় বোলে- 'বিপদ অকলে নাহে।' দেউতাকৰ অৱস্থা আৰু বেয়াৰ ফালে ঢাল খাবলৈ

ধৰে। আনমনাই দেউতাকৰ চিকিৎসাৰ সকলো ব্যৱস্থা ল'লে। কিন্তু তাইৰ সকলো চেষ্টা নিষ্ফল হ'ল। এদিন দেউতাকে ইহসংসাৰৰপৰা চিৰবিদায় ল'লে। আনমনাই চকুৰ পানীৰে একো নেদেখা হ'ল। বিধাতাই যে তাইৰ কপলাত দুখ যন্ত্ৰণাৰ ৰেখা আঁকিছে। তাই অকলশৰীয়া হৈ পৰিল। আত্মীয়স্বজন আছে যদিও তাইক সান্ত্বনা দিয়াৰ বাহিৰে তেওঁলোকেনো আৰু কি কৰিব পাৰে ?

দেউতাক ঢুকাবৰ আজি প্ৰায় দুমাহ হ'ল। বিধৱা পেহীয়েক এজনী তাইৰ লগত কিছুদিন থাকি তাইক সান্ত্বনা দি গুচি গ'ল। আনমনাই জীৱনৰ সকলো মূল্য হেৰুৱালে। তাইৰ কাৰণে জীৱনটো যে নিৰৰ্থক হৈ পৰিল। তাইৰ জীৱনৰ ৰঙীন সপোন,- সপোন হৈয়ে ৰ'ল। ই আৰু দিঠকত পৰিণত নহয়। এই সংসাৰত তাই হৈ পৰিল অকলশৰীয়া। দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে তাইৰ অকলশৰীয়া জীৱনটো আৰু বেছি ভাল নলগা হৈ পৰিছে। সেয়ে শেষত তাই ওচৰৰে স্কুল এখনত শিক্ষয়িত্ৰীৰ চাকৰি কৰি আছে। স্কুলৰ ল'ৰা ছোৱালীক শিক্ষাদান কৰি আৰু সিহঁতৰ মাজত থাকি তাই অন্ততঃ কিছুসময়ৰ কাৰণে তাইৰ চিন্তাৰপৰা মুক্ত হ'ব পাৰে।

আনমনাই তাইৰ জীৱন নাওখনি চলাই নিছে কেৱল দুখ যন্ত্ৰণাৰ বোজা লৈ। কেতিয়া যে তাইৰ জীৱন বন্তি নিৰ্বাপিত হ'ব ! আজি এইবোৰ কথা ভাবি থাকোঁতে তাইৰ দুগালেদি কেৱল চকুলো ধাৰাসাৰে বৈ গ'ল। তাই খুব দুৰ্বল আৰু অসহায় বোধ কৰিছে। চাহ একাপ খাবৰ মন গ'ল। সেয়ে ৰখা ছোৱালীজনীক মতাত তাই আহি আনমনাৰ সম্মুখত থিয় হ'ল। এনেতে বাহিৰত কোনোবাই দুৱাৰত ঢকিওৱাত তাই দৌৰি গৈ দুৱাৰখন খুলি দিয়াত পিয়নে চিঠি এখন দি গ'ল। চিঠিখন আনি আনমনাৰ হাতত দিয়াত আনমনাই তাইক চাহ বনাৰ্বলৈ কৈ চিঠিখন খুলি পঢ়ি গ'ল। ছোৱালীজনী ইতিমধ্যে চাহ কৰিবলৈ পাকঘৰলৈ গ'ল। এয়া প্ৰবীণৰ চিঠি। প্ৰবীণে লিখিছে,

'আনমনা,

আশা কৰোঁ, তুমি ভালে আছা। আজি বহুদিনৰ মূৰত তোমালৈ দু-আষাৰ লিখিবলৈ কাপ হাতত ল'লোঁ। বেয়া নাপাবা। মই জানোঁ, মই দোষী। তুমি মোক নিশ্চয় ক্ষমা কৰিব পৰা নাই। জীৱনত যি ভুল কৰিলো তাৰ ক্ষমা নাই। তোমাৰ জীৱনটো দুখ-যন্ত্ৰণাৰে ভাৰাক্ৰান্ত কৰাৰ কাৰণে ময়ে দোষী, আনমনা।

যি হওক, আজি বহুদিন ধৰি মই বেমাৰত ভুগিছোঁ। তোমাক খবৰটো মই নিদিম বুলিয়ে ভাবিছিলোঁ। কিন্তু কিহে জানো বাৰে বাৰে তোমাক খবৰটো দিবলৈ হেঁচি আছে ! সেয়ে মই তোমাৰ ওচৰত ব্যক্ত নকৰি নোৱাৰোঁ। আনমনা, মোৰ পাপ কৰ্মৰ ফল মই ভোগ কৰিছোঁ। মই এক দুৰাৰোগ্য বেমাৰত ভুগিছোঁ। বোধকৰোঁ, মই আৰু বেছি দিন জীয়াই নাথাকিম। মোৰ ল'ৰা-ছোৱালী এহাল। বয়স কম। সিহঁত স্কুলত পঢ়ে। মই বহুত চিকিৎসা কৰিলোঁ। কিন্তু সকলো নিষ্ফল হ'ল। পেটত কেন্সাৰ। ভাল হোৱাৰ আশা নাই। সেয়ে মোৰ অন্তিম সময়ত তোমাক এবাৰ দেখা পাব খোজো।। আশা কৰোঁ, তুমি আহিবা। মোৰ পৰিয়ালক তোমাৰ কথা কৈছোঁ। মোৰ ঠিকনা তলত লিখি দিলোঁ। আহিবা নিশ্চয়। মৰমেৰে

তোমাৰ
প্ৰবীণ
ঠিকনা
অধ্যাপক প্ৰবীণ বৰুৱা
চৌৰাঙ্গী ৰোড
ফ্লেট্ নং ১২
নতুন দিল্লী।

চকুলোৰে আনমনাই সম্মুখত একো নেদেখিলে। চকীৰপৰা উঠি গৈ তাই কাষৰ বিছনাখনতে দীঘল দি পৰি উচুপি কান্দি থাকিল। এনেতে ৰখা ছোৱালীজনীয়ে চাহ আনি টেবুলত থলে। কিন্তু বাইদেউক কন্দা দেখি তাই কৈ উঠিল, 'বাইদেউ, কিয় কান্দিছে ?" আনমনাই একো উত্তৰ নিদি কেৱল কান্দি থাকিল। তেতিয়া গধূলি। ধৰাৰ বুকুত এন্ধাৰ ঘনাই নামি আহিছে।

# প্ৰাচীন অসমৰ সাজপাৰ আৰু অলংকাৰ

*মিচ্ বৰ্ণালী দাস*
*স্নাতক ১ম বৰ্ষ (কলা)*

প্ৰাচীন অসমৰ সাজপাৰ আৰু অলংকাৰ মন কৰিবলগীয়া। পুৰণি পুথিত এই সাজপাৰ আৰু আ-অলংকাৰৰ বিষয়ে জানিব পাৰি। তেতিয়াৰ অসমীয়া মানুহৰ বসন আৰু ভূষণৰে সৈতে ভাৰতৰ অন্যান্য অঞ্চলৰ মানুহৰ সাজপাৰ আৰু অলংকাৰৰ কিছু পাৰ্থক্য আছে। উল্লেখযোগ্য যে ভাৰতৰ উত্তৰ-পূৱ কোণত অৱস্থিত অসমৰ মৃদু জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশৰ বাবে অসমৰ জনসাধাৰণৰ ব্যৱহৃত সাজপাৰত কোনো ধৰণৰ উগ্ৰতা নাই। উৎসৱ আদিত জকমকীয়া পোছাক পৰিধান কৰিলেও সাধাৰণতে 'বগা আৰু কোমল ৰঙৰ সাজহে অসমীয়া মানুহৰ প্ৰিয়।" অসমীয়া নাৰীৰ ঘাই সাজ হ'ল মেখেলা-চাদৰ। আনহাতে পুৰুষৰ ঘাই সাজ হ'ল ধুতী-চোলা। অসমীয়া নাৰী-পুৰুষে ব্যৱহাৰ কৰা এনে সাজ এদিনতে গঢ় লৈ উঠা নাই। ইয়াৰ ইতিহাস আৰু বৈচিত্ৰ্য নথকা নহয়। মুঠতে অসমীয়া মানুহৰ ব্যৱহৃত সাজ আৰু আ-অলংকাৰ আৰ্য-অনাৰ্য সংস্কৃতিৰ মিলন আৰু মিশ্ৰণতেই সৃষ্টি হোৱা বুলি ক'ব পাৰি। ই স্বীকাৰ্য যে অসমীয়া নাৰীসকলে ঘাইকৈ এই সাজপাৰৰ স্বকীয়তা ৰক্ষা কৰিছে।

প্ৰাচীন অসমৰ সাজপাৰৰ ধৰণৰ আভাস পাব পাৰি পুৰণি ভাস্কৰ্যসমূহত। এইখিনিতে উল্লেখ কৰিব পাৰি যে 'কালিকা পুৰাণ'ত বস্ত্ৰ আৰু আচ্ছাদন দুয়োটা নামেৰে সাজপাৰকে বুজোৱা হৈছে। চিলাই নকৰা আৰু চিলাই কৰা দুয়োবিধ পৰিধানৰে তেতিয়া প্ৰচলন আছিল। এটুকুৰা চিলাই নকৰা কাপোৰ কঁকালত মেৰিয়াই তাক টঙালিৰ দৰে 'পৰিৱেশ' নামৰ বস্ত্ৰেৰে বান্ধি থোৱা পুৰুষ-মূৰ্তিৰ ভাস্কৰ্য দেখা যায়। নাৰী মূৰ্তিসমূহৰ দেহৰ ওপৰ অংশ আৰু কঁকালৰ তলৰ অংশ ঢকা এবিধ আচ্ছাদন ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। সম্ভ্ৰান্ত শ্ৰেণীৰ পুৰুষৰ শৰীৰৰ ওপৰ অংশ আকৌ উত্তৰীয়ৰ দ্বাৰা আবৃত কৰা হৈছিল। বিশেষ মন কৰিব লগীয়া এই যে পৰিধানৰ সাজ কেতিয়াবা ভালদৰে ৰং কৰি বিচিত্ৰ কৰি তোলা হৈছিল। মুঠতে সাজপাৰ ৰঙা, ক'লা, সেউজীয়া আদি বিভিন্ন ৰঙৰ সমাবেশত চিত্ৰ-বিচিত্ৰ কৰি তৈয়াৰ কৰা হৈছিল। সূচিকৰ্মৰ দ্বাৰাও কাপোৰত নিপুণভাৱে ফুল তোলা জনা যায়।

আহোম যুগত মৰ্যাদা অনুসাৰে সাজপাৰ তৈয়াৰ কৰাৰ ৰীতি প্ৰচলিত আছিল। উল্লেখযোগ্য যে ডা-ডাঙৰীয়া আৰু সাধাৰণ মানুহৰ সাজপাৰৰ মাজত পাৰ্থক্য আছিল। গতিকে সেই যুগত সাজপাৰ চায়েই কোনজন কেনে খিতাপৰ মানুহ সেইটো জানিব পৰা গৈছিল। তেতিয়া বয়ন শিল্পৰ বৰ উন্নতি হৈছিল। পাট-মুগা-এড়িৰ নানা তৰহৰ কাপোৰ বিভিন্ন ধৰণে ব্যৱহৃত হৈছিল। সম্ভ্ৰান্ত শ্ৰেণীৰ লোকে সিংখাপৰ সাজ পৰিধান কৰিছিল আৰু তেনে সাজে তেওঁলোকৰ দেহৰ জেউতি বৃদ্ধি কৰিছিল। তেতিয়া অসমীয়া শিপিনীয়ে মনে বছা সাজ তৈয়াৰ কৰি লৈছিল। তেওঁলোকে কাপোৰত বিভিন্ন ধৰণৰ লতা ফুল, বুটা বাছি আৰু জ্যামিতিক চিত্ৰ তুলিছিল। তিৰোতাসকলৰ সাজ আছিল মেখেলা, ৰিহা আৰু চেলেং কাপোৰ। আনহাতে পুৰুষৰ সাজ আছিল চুৰিয়া, চোলা আৰু কেতিয়াবা গাত চেলেং, মূৰত পাগ। তেওঁলোকে কঁকালত টঙালি আৰু হাঁচতি ব্যৱহাৰ কৰিছিল। জাৰ কমাবৰ কাৰণে পুৰুষে বৰ কাপোৰ আৰু খনিয়া কাপোৰো ব্যৱহাৰ কৰিছিল। উল্লেখযোগ্য যে সেই যুগত ৰিহা, চেলেং, বৰকাপোৰ আদিত আঁচু দি, দহি বাটি, বঁৰৈ লগাই, বুটা তুলি, কেছ

বাছি, গুণাৰ ফুল তুলি, গাৰি দি অতি মনোমোহা ৰূপ দিয়া হৈছিল। গুণা-সূতাৰে বিচিত্ৰ ফুল তুলি পাট-মুগা-সিংখাপৰ মেখেলাও তৈয়াৰ কৰা হৈছিল । আনকি গোমচেঙ আৰু চাটনৰ মেখেলাৰো প্ৰচলন আছিল ।

বিভিন্ন প্ৰকাৰৰ পাগৰ প্ৰচলনো আহোম পুৰুষসকলৰ মাজত আছিল। বুৰঞ্জীসমূহত ইয়াৰ উল্লেখ আছে। আনহাতে আহোম ৰমণীয়ে প্ৰথম অৱস্থাত মূৰত ওৰণি লোৱা নাছিল । তাৰ পৰিৱৰ্তে তেওঁলোকে কাপোৰ এখনহে পাগুৰিৰ দৰে মূৰত মেৰিয়াই লৈছিল । পাগুৰিৰ বিভিন্ন নাম যেনে উকা পাগ, চিকণ পাগ, মথুৰা পাগ, ফচৌ আদি পোৱা যায় । নানা প্ৰকাৰ চোলাৰ নামো বুৰঞ্জীসমূহত পোৱা যায় ।

বিভিন্ন জাপিৰ নামো পুৰণি পুথিত পোৱা যায় । বৰদৈয়া, সৰুদৈয়া, পানীজাপি, হালোৱাজাপি আদি বিভিন্ন জাপিৰ নামৰ উল্লেখ আছে। আহোম যুগতে অসমীয়া মানুহৰ সাজপাৰৰ প্ৰকাৰ আৰু বয়নৰীতিত বিভিন্ন জাতি-উপজাতিৰ প্ৰভাৱ পৰা দেখা যায় । উদাহৰণস্বৰূপে নৰা মেখেলা বা নৰা-চোলা শব্দই এই বস্তু নৰা-দেশৰপৰা অহাৰ ইংগিত দিয়ে। বিদেশী প্ৰভাৱো আহোম স্বৰ্গদেউসকলৰ ৰাজকীয় সাজপাৰত পৰা দেখা যায়। আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত মোগল সম্ৰাটসকলৰ আৰ্হিত পাগুৰী, পায়জামা আদি ব্যৱহাৰ হ'বলৈ ধৰে। আনহাতে আচ্ছাদানৰ ক্ষেত্ৰতো পিছত ক্ৰমে ভিনদেশীয় ৰুচিয়ে ঠাই লয় ।

চৰিত পুথিত উল্লেখিত 'বৃন্দাবনী বস্ত্ৰ'ত মধ্যযুগীয় অসমৰ বয়ন শিল্পৰ সুন্দৰ উদাহৰণ পোৱা যায় । কথিত আছে যে শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ লীলাসমূহ বয়নৰ মাধ্যমেৰেএই বস্ত্ৰত চিত্ৰিত কৰি তাৰ ব্যাখ্যা কৰিবৰ উদ্দেশ্যে আখৰো পৰিস্ফুট কৰি বোৱা হৈছিল । এইখিনিতে উল্লেখ কৰিব পাৰি যে আহোম স্বৰ্গদেউসকলৰ আমোলত বয়ন শিল্পৰ অধিক উন্নয়ন ঘটিছিল । সকলো তিৰোতাৰ কাৰণে সূতা কটা কামটো বাধ্যতামূলক কৰাৰ কথা জনা যায় । পৰিয়াল এটাৰ সকলো সাজপাৰ ঘৰৰ তিৰোতাসকলেই বই কাটি উলিয়াইছিল । বুৰঞ্জীসমূহত তেতিয়া প্ৰচলিত বিবিধ সাজপাৰৰ নাম আৰু সেইবোৰৰ বিৱৰণ জনা যায় ।

পুৰণি ভাস্কৰ্যবোৰত আৰু এটা কথা লক্ষ্য কৰিব পাৰি। এই ভাস্কৰ্যবোৰত পুৰুষ আৰু নাৰী উভয়ৰে দেহত অলংকাৰ দেখা যায়। সেই পুৰণি দিনত মূৰৰ পৰা ভৰিলৈকে দেহৰ প্ৰতিটো অংগ অলঙ্কৃত কৰাৰ ব্যৱস্থা আছিল। শিৰত কীৰিটি, শিৰোৰত্ন, কপালত ললাটিকা, কৰ্ণত কুণ্ডল, ডিঙিত হাৰ বা ৰত্ন সূত্ৰ, বাহুত অংগদ, বাহুবলয়, হাতত কংকন, কঁকালত চন্দ্ৰহাৰ, কটিত উৰুসূত্ৰ, নীবি, ভৰিত পাদ-অংগদ আৰু নেপূৰ পৰিধান কৰি অংগ ভূষিত কৰাৰ ব্যৱস্থা আছিল। এনে অলংকাৰৰ বিবিধ প্ৰকাৰ আৰু অসংখ্য নাম আছিল। এনে ভূষণৰ বিভিন্ন নাম 'কালিকাপুৰাণ'ত আছে। তেতিয়া সোণ, ৰূপ আৰু তামৰ অলংকাৰ জনপ্ৰিয় আছিল বুলি ক'ব পাৰি ।

আহোম স্বৰ্গদেউসকলৰ আমোলত অলংকাৰৰ বৈচিত্ৰ্য পৰিলক্ষিত হয় । বুৰঞ্জী আদিত বিবিধ গহনাৰ বিৱৰণ পোৱা যায় । এই বিৱৰণে অসমীয়া মানুহৰ সুকুমাৰ মন আৰু ৰুচিবোধৰ পৰিচয় দাঙি ধৰে । ব্যৱহৃত গহনাসমূহে শৰীৰৰ প্ৰতি অংগৰ শোভা বৰ্দ্ধন কৰিছিল । জোনবিৰি, ঢোলবিৰি, শিলিখাবিৰি, পাৰচকুৱাবিৰি আদি কণ্ঠভূষণ আৰু জেঠীনেজীয়া পদুমকলি, মাছৰাকলীয়া আদি আঙুঠিৰ নামে অলংকাৰ সমূহৰ চিত্ৰ স্পষ্ট কৰি তোলে । অসমীয়া নাৰীৰ কণ্ঠ ডুগডুগি, গেজেৰা, গলপতা, সাতসৰী আদি নানাধৰণৰ অলংকাৰে শুৱনি কৰি তুলিছিল; কিন্তু ইয়াৰ বেছিভাগে বৰ্তমান অপ্ৰচলিত। কৰ্ণভূষণৰ ভিতৰত পুৰুষে পৰিধান কৰিছিল লোকাপাৰ। সৌন্দৰ্যৰ ফালৰপৰা ই অনুপম আছিল। সেই সময়ত ৰাখৰুৱা আৰু মিনাকৰা অলংকাৰে বিশেষ জনপ্ৰিয়তা লভিছিল। মনকৰিবলগীয়া এয়ে যে তেতিয়া ধাতুৰ লগত বিশেষ জন্তুৰ দাঁত, নখ, হাড় আৰু বৃক্ষজাত গুটি ব্যৱহৃত হৈছিল ।

পুৰণি পুথিত সাজ-অলংকাৰৰ লগত নিবিড় সম্পৰ্ক থকা কেশবিন্যাস আৰু প্ৰসাধনৰ কথাও জানিব পাৰি। ভাস্কৰ্যসমূহতো কেতিয়াবা নাৰী-পুৰুষৰ কেশবিন্যাসৰ ধৰণ বিচাৰি পাব পাৰি। কিন্তু বেছিভাগতে কীৰিটি আদি

শিৰোভূষণে এই বিন্যাস আঁৰ কৰি থৈছে। পুথিসমূহত অসমীয়া নাৰীয়ে খোপাত সোণ-ৰূপৰ ফুল আৰু বিবিধ সুগন্ধী ফুল তথা ফুলৰ মালা ব্যৱহাৰ কৰাৰ কথা জানিব পাৰি । উল্লেখযোগ্য যে প্ৰসাধন আৰু গহনা উভয় ক্ষেত্ৰতে ফুলে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া নাৰীৰ খোপা যুতি, কৰ্পৌ, তগৰ, মালতী, বকুল আদি বিভিন্ন ফুলে শুৱনি কৰিছিল । মুখমণ্ডলৰ মসৃণতা কেতেকী ফুলৰ ৰেণুৱে বৃদ্ধি কৰিছিল । আনহাতে বিয়ানামবোৰতো নাৰী সমাজত ফুলৰ ব্যৱহাৰৰ কথা জনা যায়। তলত উল্লেখিত বিয়ানাম ফাকিয়ে তাৰ উদাহৰণ দাঙি ধৰে ।

'গা ধুই আইদেৱে মাকক সুধিলে  
কি ফুল পিন্ধিব পায়,  
সেঁউতী নিপিন্ধো মালতী নিপিন্ধো  
নিপিন্ধো খৰিকাজাঁই ।

ইত্যাদি

সেইদৰে বিহুনামবোৰত পোৱা যায় ডেকা-গাভৰুৰ দেহ আৰু মনত পৰা বিবিধ বতৰৰ বিবিধ ফুলৰ প্ৰভাৱৰ কথা । যেনে-

(ক) নাহৰৰ গোন্ধে পাই নাচনীৰ ততে নাই  
গচকি ভাঙি যায় যঁতৰ ।

(খ) তোমাৰ বাৰীত ফুলিলে ইন্দ্ৰজিত মালতী  
মোৰ বাৰীত পৰিলে ছাঁ

ইত্যাদি

নিঃসন্দেহে প্ৰাচীন অসমৰ সাজপাৰ আৰু অলংকাৰৰ এক স্বকীয় বৈশিষ্ট্য আছে। পুৰণি পুথিত পোৱা এনে বসন-ভূষণে অসমীয়া মানুহ যে সুৰুচি সম্পন্ন আৰু সৌন্দৰ্য সচেতন তাৰ ইংগিত দিয়ে ।

---

সহায় লৈ

অসমত লোক-সংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক প্ৰথা, বিশ্বাস আৰু পূজা-পাতাল, ক্ৰিয়াকলাপৰ অজস্ৰ তথ্যপাতি অসমত আজিও আছে । অষ্ট্ৰিক, তিব্বত-বৰ্মী আৰু আৰ্য আদি বিভিন্ন ভাষা-ভাষীৰ মানুহৰ সংমিশ্ৰণৰ ফলত ই অধিক জটিল আৰু ৰহস্যময় হৈ পৰিছে ।

-ড০ বিৰিঞ্চি কুমাৰ বৰুৱা

# গান্ধীজীৰ সান্নিধ্যত এগৰাকী মহীয়সী নাৰী

*লক্ষীকান্ত শৰ্মা*
*প্ৰবক্তা, বুৰঞ্জী বিভাগ*

মহামানৱ মহাত্মা গান্ধীৰ সান্নিধ্য লাভ কৰা অগণন লোকৰ মাজত এনে এগৰাকী মহীয়সী নাৰীও আছিল, যি গৰাকী নাৰীয়ে নিজৰ সুখ-স্বাচ্ছন্দ্য, বিলাস-বাসনা তথা নিজস্ব জীৱন ধাৰা আদি সকলো বিসৰ্জন দি এটা সন্ন্যাসিনী জীৱন আঁকোৱালি লৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল। গান্ধীজীৰ এগৰাকী প্ৰিয় শিষ্যা হৈ ভাৰতৰ ইমূৰ-সিমূৰ পৰিভ্ৰমণ কৰি ভাৰত আত্মাৰ লগত একাত্মতা স্থাপন কৰা এই গৰাকী মহীয়সী নাৰীয়ে আছিল মেডেলিন শ্লেড। পিছলৈ অৱশ্যে তেওঁ মীৰাবেন বুলি খ্যাত হয়। এডমিৰেল শ্লেডৰ কন্যা মেডেলিন শ্লেডৰ ১৮৯২ খৃঃত ইংলেণ্ডত জন্ম হৈছিল। ব্ৰিটিছ নৌ-সেনাধ্যক্ষৰ অতি জাক-জমকতাপূৰ্ণ আৰু বিলাসী পৰিবেশত ডাঙৰ দীঘল হোৱা মেডেলিন শ্লেডে যে গান্ধীজীৰ সান্নিধ্য লাভ কৰি এদিন সন্ন্যাসিনী মীৰাবেন হ'বগৈ তাক হয়তো কোনেও কল্পনাই কৰিব পৰা নাছিল। কিন্তু তেওঁৰ অদৃষ্টৰ লিখন সেয়ে আছিল।

দেউতাক এডমিৰেল শ্লেডে চাকৰিৰ দায়িত্বত প্ৰায়ে ঘৰৰপৰা বহুদূৰত থাকিবলগীয়া হৈছিল। সেয়ে শিশু মেডেলিনে তেওঁৰ বাল্যকাল ককা-দেউতাকৰ লগত কটাবলগীয়া হৈছিল। ককা-দেউতাকৰ ঘৰ ইংলেণ্ডৰ এখন গাঁৱত আছিল। সেই গাঁৱৰ মনোৰম প্ৰাকৃতিক পৰিবেশে শিশু মেডেলিনৰ মন অপাৰ আনন্দেৰে ভৰাই তুলিছিল। ঘৰত ককা-দেউতাকৰ লগত সৰু সৰু ধেমালিৰ খেল খেলি, পুতলাৰ জীৱ-জন্তু সাজি সেইবোৰৰ লগত হাঁহি-ধেমালি কৰি কাল কটোৱা মেডেলিনৰ মনত তেতিয়াই জীৱ-জন্তু তথা প্ৰকৃতিৰ প্ৰতি এক গভীৰ স্নেহভাৱ গঢ়ি উঠিছিল। ইয়াৰ লগে লগে কিন্তু কিবা এক অজানা ৰাজ্যৰ চিন্তাই তেওঁৰ মনত ঠাই লৈছিল। ইয়াৰ অন্বেষণতে তেওঁৰ জীৱন যাত্ৰা আৰম্ভ হৈছিল।

মেডেলিনৰ আঠ বছৰ বয়সত দেউতাক বিদেশৰপৰা প্ৰথম বদলি হৈ লণ্ডনলৈ আহে। মেডেলিনহঁতো গাঁৱৰ ঘৰ 'মিল্টনহিথ'ৰ পৰা দেউতাকৰ তালৈ গ'ল। এই সময়তে মেডেলিনৰ ছাত্ৰ জীৱন আৰম্ভ হয়। কিন্তু দেউতাকৰ চাকৰিৰ বদলিকৰণৰ বাবে পৰিয়ালটি একে ঠাইতে নিগাজিকৈ থকাটো সম্ভৱপৰ হৈ উঠা নাছিল। ১৯০৩ চনত মেডেলিনৰ দেউতাক গ্ৰীণউইছৰ 'ৰয়েল নেভেল' কলেজৰ কেপ্তেইন নিযুক্ত হয়। তেতিয়া তেওঁলোকে টেম্‌ছ নদীৰ পাৰত এটা সুন্দৰ প্ৰাসাদত থাকিবলৈ লৈছিল। সেই প্ৰাসাদৰ খিড়িকীৰে টেম্‌ছ নদীৰ বুকুৰেদি অহা-যোৱা কৰা জাহাজবোৰ দেখি আৰু সেই নদীৰ বিশাল আৰু মনোৰম দৃশ্যবোৰ দেখি মেডেলিনৰ মন-প্ৰাণ আনন্দত নাচি উঠিছিল। লণ্ডনত থকা এই কালছোৱাত বীথভেনৰ সঙ্গীতৰ সুৰৰ লগত মেডেলিনৰ পৰিচয় ঘটে। বীথভেনৰ সঙ্গীতৰ সুৰে মেডেলিনৰ অন্তৰত এনে এক আলোড়নৰ সৃষ্টি কৰিলে যে মেডেলিন বীথভেনৰ সঙ্গীতৰ একান্ত ভক্ত হৈ পৰাই নহয়, বীথভেনৰ আত্মাৰ লগতো তেওঁৰ এক সংযোগ অনুভৱ কৰিলে। এক আত্মাৰ অনুসন্ধানত গোপনে যেন তেওঁৰ এক যাত্ৰা আৰম্ভ হ'ল।

এই সময়তে মেডেলিনৰ দেউতাক দুবছৰৰ কাৰণে ভাৰতবৰ্ষলৈ আহিব লগা হোৱাত দেউতাকৰ লগতে গোটেই পৰিয়ালটোৱেই ভাৰতলৈ আহিছিল। লণ্ডন এৰি অহা মেডেলিনে বীথভেনৰ সঙ্গীতৰ লগত তেওঁৰ বিচ্ছেদ ঘটিব বুলি এক দুখ অনুভৱ কৰিছিল যদিও

বিদেশলৈ অহাৰ আনন্দই মেডেলিনৰ মন তেতিয়া ভৰাই তুলিছিল। ভাৰতত থকা এই কালছোৱাত তেওঁ সিংহল, পাৰস্য আদি দেশ ভ্ৰমণ কৰি যথেষ্ট অভিজ্ঞতা লাভ কৰিছিল। কিন্তু সেইসময়ত মেডেলিনে যি ভাৰতবৰ্ষ আৱিষ্কাৰ কৰিছিল সেই ভাৰতবৰ্ষই তেওঁক মুঠেই আকৃষ্ট কৰিব পৰা নাছিল। তেওঁৰ মনত ধাৰণা হৈছিল যে ভাৰতবৰ্ষ যেন কিছুমান ধৰা-বন্ধা নীতি-নিয়মেৰে পৰিপূৰ্ণ এক ৰক্ষণশীল দেশ। ইতিমধ্যে দেউতাকৰ চাকৰিৰ কাৰ্য্যকাল আৰু কিছুদিন বৃদ্ধি কৰাত মেডেলিনে মাক আৰু বায়েকৰ সৈতে লণ্ডনলৈ ঘূৰি গ'ল। তেওঁ যে ভাৰতলৈ পুনৰ ঘূৰি আহিব- এই কথা তেওঁ তেতিয়া ভবাই নাছিল।

মেডেলিনহঁতে ইংলেণ্ডলৈ উভতি যোৱাৰ কিছুদিনৰ পিছতে প্ৰথম মহাসমৰ আৰম্ভ হৈছিল। এই যুদ্ধৰ বিভীষিকাই মানৱ দৰদী মেডেলিনৰ অন্তৰত আঘাত দিছিল। ক্ৰমে যুদ্ধৰ পৰিসমাপ্তি ঘটিল। এই সময়তে মেডেলিনে ব্ৰণ আৰু ভিয়েনা ভ্ৰমণ কৰিলে। ভ্ৰমণৰ অন্তত তেওঁ লণ্ডনলৈ ঘূৰি আহিল। কিন্তু কিবা এটা বিচাৰি নোপোৱাৰ বেদনাই যেন তেওঁৰ অন্তৰত এক হাহাকাৰৰ সৃষ্টি কৰিছিল। এই সময়তে তেওঁ বিখ্যাত ফৰাচী ঔপন্যাসিক ৰোঁমাৰোঁলাৰ 'জা ক্ৰিষ্টফা' নামৰ গ্ৰন্থখন পঢ়াৰ সুযোগ পাইছিল। বীথভেনৰ এগৰাকী ডাঙৰ সমৰ্থক ৰোঁমাৰোঁলাৰ লিখনিয়ে মেডেলিনক ইমান মোহিত কৰিলে যে তেওঁ ৰোঁমৰোঁলাৰ দৰ্শন পাবলৈ ব্যাকুল হৈ পৰিল আৰু তাৰ কাৰণে তেওঁ নিজকে সাজু কৰি তুলিলে। আনকি তেওঁ ফৰাচী ভাষাটোৰ ভালেখিনি আয়ত্ত কৰি লৈছিল। ফৰাচী ঔপন্যাসিক গৰাকীক লগ ধৰিবলৈ তেওঁ যি কষ্টকৰ যাত্ৰা আৰম্ভ কৰিছিল সেই যাত্ৰা এদিন সফল হৈ উঠিছিল। মেডেলিনৰ অন্তৰত 'কিবা' এটা নোপোৱাৰ যি হাহাকাৰ উথলি উঠিছিল তাৰ উপশমৰ বাবে ৰোঁমাৰোঁলাই মেডেলিনক পৃথিৱীৰ ভালেকেইখন দেশ ভ্ৰমণ কৰিবলৈ উপদেশ দিলে আৰু সেই দেশবিলাকৰ লগত ভাৰতবৰ্ষৰ নামটোও উল্লেখ কৰিলে। 'ভাৰতবৰ্ষ' নামটো তেখেতে মহাত্মা গান্ধীৰ বিষয়ে লিখা এখন সৰু কিতাপৰ প্ৰসঙ্গত কৈছিল আৰু সেই কিতাপখন তেতিয়া ছপাশালতে থকা বুলি কৈছিল। মেডেলিনে অবাক হৈ তেখেতলৈ চাই থকাত আৰু মহাত্মা গান্ধীৰ কথা তেতিয়ালৈকে শুনা নাই বুলি কোৱাত ৰোঁমাৰোঁলাই গান্ধীৰ চিনাকি এনেদৰে দিছিল, 'তেওঁ আন এজন যীশু খ্ৰীষ্ট।'' এই কথাষাৰে মেডেলিনৰ মনত এটা সাঁচ বহুৱালে যদিও সেই মুহূৰ্ত্তত গান্ধীৰ চিন্তা এৰি তেওঁ ইজিপ্তকে আদি কৰি বিভিন্ন দেশ ভ্ৰমণত নিমগ্ন হ'ল। ভ্ৰমণ সমাপ্ত কৰি তেওঁ পেৰিচলৈ আহিল আৰু ৰোঁমাৰোঁলাৰ সদ্যপ্ৰকাশিত 'মহাত্মা গান্ধী' নামৰ কিতাপখন সংগ্ৰহ কৰি নেৰা-নেপেৰাকৈ পঢ়ি শেষ কৰিলে। কিতাপখন পঢ়ি যি 'কিবা' এটা বিচাৰি তেওঁৰ মনটোৱে ইমানদিনে হাহাকাৰ কৰি আছিল তাৰ যেন সন্ধান এটি তেওঁ লাভ কৰিলে। সত্য আৰু অহিংসাৰ বাণীৰে কোটি-কোটি ভাৰতবাসীক মুক্তিৰ পথ দেখুৱাবলৈ অগ্ৰসৰ হোৱা গান্ধীৰ দৰ্শন লাভ কৰিবলৈ মেডেলিন ব্যাকুল হৈ পৰিল। ভাৰতবৰ্ষলৈ আহি গান্ধীজীৰ নীতিত অভ্যস্ত হ'বলৈ আৰু নিজকে উপযুক্ত কৰি তুলিবলৈ মেডেলিনে ইতিমধ্যে সূতা-কটা, নিৰামিষ আহাৰ গ্ৰহণ কৰা, ৰাগিয়াল বস্তু বৰ্জন কৰা, ভাৰতীয় ভাষা আয়ত্ত কৰা, মাটিত বহি আহাৰ খোৱা আদিৰ অভ্যাস কৰি নিজকে প্ৰস্তুত কৰি তুলিলে।

১৯২৫ খৃঃৰ অক্টোবৰৰ মাহৰ ২৫ তাৰিখে সত্যৰ অন্বেষণত গান্ধীজীৰ সান্নিধ্য বিচাৰি মেডেলিনে ভাৰত অভিমুখে যাত্ৰা কৰিলে। উক্ত চনৰ ৭ নৱেম্বৰ তাৰিখে মেডেলিন শ্লেড সৱৰমতী আশ্ৰমত উপস্থিত হ'লহি। সৱৰমতীত গান্ধীৰ লগত হোৱা তেওঁৰ প্ৰথম দৰ্শন আছিল এনে ধৰণৰ- 'কোঠাটোত সোমোৱাৰ লগে লগে পাতল, তেজগোৰা ৰঙৰ মূৰ্ত্তি এটি থিয় হ'ল আৰু মোৰ পিনে আগবাঢ়ি আহিল। পোহৰৰ এক অনুভূতি হ'ল। তাৰ বাহিৰে মোৰ আন জ্ঞান নাছিল। মই আঁঠু ল'লোঁ। দুখন হাতে মোক দাঙি ধৰিলে আৰু মাত এষাৰে মোক কোৱা যেন শুনিলোঁ, - 'তুমি মোৰ ছোৱালী হ'বা।' তেতিয়াহে পাৰ্থিৱ জগত সম্পৰ্কে মোৰ চেতনা ঘূৰি আহিল। মোৰ সন্মুখত সন্তোষৰ ভাবে বিৰিঙি থকা আৰু মৰমসনা চকু এযোৰে মোৰ পিনে স্থিৰ হৈ থকা দেখা পালোঁ। হাঁহি থকা মুখৰ এই মানুহজনে

তেন্তে মহাত্মা গান্ধী.... তেখেতৰ দৰ্শন লাভ কৰিলোঁ।"

সৰবমতী আশ্ৰমত মেডেলিনৰ এক নতুন জীৱন আৰম্ভ হ'ল। মন্ত্ৰমুগ্ধ সাপৰ দৰে বিদেশী মহিলা গৰাকীয়ে আশ্ৰমত সূতা কটাৰপৰা আৰম্ভ কৰি পায়খানা চাফা কৰালৈকে আৰু আনকি সমূহীয়া প্ৰাৰ্থনাত যোগদান কৰাৰ পৰা মাটিত বহি আহাৰ গ্ৰহণ কৰালৈকে- সকলো কামতে আত্মনিয়োগ কৰিলে। তেওঁ এনেকৈ আশ্ৰমৰ কঠোৰ নীতি-নিয়মৰ মাজত সোমাই পৰিল। আশ্ৰমত তেওঁ মীৰা নামেৰে জনজাত হৈ পৰিল আৰু সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিল। কৰ্মী মীৰাই আনকি গান্ধীজীৰ (বাপুৰ) দৈনন্দিন কাৰ্য্যসূচীতো এক অনন্য স্থান অধিকাৰ কৰিলে। সবল ব্যক্তিত্ব সম্পন্ন গান্ধীজীৰ আধ্যাত্মিক শক্তি আৰু অটল আত্মবিশ্বাসত তেওঁ মোহিত হৈছিল। গান্ধীজীৰ মৃত্যুৰ আগলৈকে মীৰাই তেওঁৰ ছাঁৰ দৰে আছিল বুলি ক'ব পাৰি।

সৰবমতীত বাপুৰ এনে ব্যস্ত কাৰ্যসূচী আছিল যে পুৱা বা গধূলিৰ প্ৰাৰ্থনাৰ সময়ৰ বাহিৰে দিনৰ আন সময়ত মীৰাই বাপুক সাক্ষাৎ কৰাৰ কোনো সুযোগ পোৱা নাছিল। অৱশ্যে গধূলি সময়ত কেৱল আধা ঘণ্টাৰ কাৰণে তেওঁ বাপুৰ ওচৰত মাটিত বহাৰ সুযোগ লাভ কৰিছিল। উল্লেখযোগ্য যে বাপুৰ ব্যক্তিত্বত এক চুম্বক শক্তি আছিল। এই চুম্বক শক্তি ইমানে প্ৰখৰ আছিল যে তেওঁৰ সাক্ষাৎ লাভ কৰিবলৈ আশ্ৰমত ল'ৰা-বুঢ়া, তিৰোতা আৰু আনকি সন্ন্যাসীৰ পৰা আৰম্ভ কৰি ৰাজনীতিকলৈ বিভিন্ন শ্ৰেণীৰ লোকৰ সমাৱেশ ঘটিছিল। তেতিয়া ই এনে হৈ উঠিছিল যেন পৃথিৱীখনৰ এটা ক্ষুদ্ৰ সংস্কৰণহে আৰু ইয়াক লৈয়ে গান্ধীজীয়ে তেওঁৰ নৈতিক, আধ্যাত্মিক, শাৰীৰিক আৰু অৰ্থনৈতিক সংস্কাৰৰ বৈপ্লৱিক ধাৰণাসমূহৰ পৰীক্ষা-নিৰীক্ষা চলাইছিল। এই পৰীক্ষাসমূহ তথা অভিজ্ঞতাবোৰে মেডেলিনক তেওঁৰ অনাগত দিনবোৰৰ কাৰণে প্ৰস্তুত কৰি তোলাত ভালেখিনি সহায় কৰিছিল।

প্ৰতিবছৰে বাপু এবাৰকৈ ৱাৰ্ধাৰ বিনোৱাজীৰ আশ্ৰমলৈ আহিছিল। মেডেলিন শ্লেড সৰবমতীলৈ অহাৰ বছৰতো গান্ধী ৱাৰ্ধালৈ আহিছিল। তেতিয়া তেওঁৰ লগত মেডেলিনো ৱাৰ্ধালৈ আহিছিল। আকৌ ৱাৰ্ধাৰপৰা বাপু কানপুৰৰ কংগ্ৰেছ অধিবেশনলৈ আহিব লগা হোৱাত বাপুৰ লগত মেডেলিনো কানপুৰলৈ আহিছিল। ইমানদিনে মীৰাই গান্ধীজীক আশ্ৰমত কাম কৰাহে দেখিছিল। কিন্তু কানপুৰলৈ আহি তেওঁ আন এক নতুন অভিজ্ঞতা লাভ কৰিলে। এইটো হ'ল জনসাধাৰণৰ ওপৰত থকা বাপুৰ এক অদ্ভুত প্ৰভাৱ। জনসাধাৰণে যেন তেওঁলোকৰ ত্ৰাণকৰ্তাকহে অপেক্ষা কৰি আছে। এনে এটা দৃশ্য মীৰাৰ চকুত প্ৰতিভাত হৈ উঠিছিল। কানপুৰত থকা কালত বাপুৰ পৰিচৰ্য্যাৰ সম্পূৰ্ণ দায়িত্ব মীৰাই বহন কৰিছিল। কানপুৰৰ কংগ্ৰেছ অধিবেশনতে মীৰাই পৰাধীন ভাৰতৰ প্ৰকৃত স্বৰূপটো বাৰুকৈয়ে উপলব্ধি কৰিব পাৰিছিল।

কানপুৰৰ কংগ্ৰেছ অধিবেশনৰ সামৰণি পৰাত গান্ধীজী পুনৰ সৰবমতীলৈ আহিল। সৰবমতীত গান্ধীজী এবছৰ থকাটো ঠিক হ'ল। তেতিয়া সকলোৰে মনত আনন্দভাৱৰ সঞ্চাৰ হ'ল। প্ৰত্যেকে নিজ নিজ কামৰ আঁচনি লৈ মনপুতি কামত আত্মনিয়োগ কৰিলে। কিন্তু এনে ব্যস্ত কাৰ্য্যসূচী মেডেলিনৰ কাৰণে বৰ কষ্টকৰ হৈছিল। তথাপি এক সত্যৰ অনুসন্ধানত ওলোৱা মেডেলিনে সকলো দুখ-কষ্ট মূৰ পাতি ল'লে। বিলাতৰ সাজপাৰৰ পৰিবৰ্তে মেডেলিনে ভাৰতীয় সাজপাৰ পৰিধান কৰিলে। ব্ৰহ্মচৰ্য ব্ৰত গ্ৰহণ কৰি তেওঁ মূৰৰ চুলিখিনি কাটি পেলালে। আনহাতে শাৰীৰ ঠাইত ঘাগ্ৰা পৰিধান কৰিলে আৰু এখন চুটি চাদৰ মূৰত মেৰিয়াই লোৱা কৰিলে। গান্ধীজীয়েও তেওঁৰ সাজপাৰৰ এই পৰিবৰ্তনত অনুমোদন জনালে। আশ্ৰমত অন্যান্য কামৰ লগতে মীৰাই বাপুৰ আত্মজীৱনী "মোৰ সত্য অন্বেষণৰ কাহিনী"ৰ ইংৰাজী অনুবাদখিনি চাই দিয়াৰ কামটো কৰিব লগা হৈছিল। বাপুৰ সান্নিধ্যলৈ অহাৰ এবছৰ পিছতে মীৰাই তেওঁৰ দেউতাকক হেৰুৱাইছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব লোৱা বাপুই কোনো ঠাইতে বেছিদিন থাকিব নোৱাৰিছিল। সেই সময়ত তেওঁ ভাৰতৰ বিভিন্ন ঠাই ঘূৰিব লগা হৈছিল। সেয়ে সৰবমতীৰপৰা তেওঁ তেওঁৰ ভ্ৰমণৰ কাৰ্য্যসূচী আকৌ আৰম্ভ কৰিলে। এই ভ্ৰমণকালত গান্ধীজীয়ে এইবেলি

মীৰাক তেওঁৰ লগত লৈ নোযোৱাটো ঠিক কৰিলে। গতিকে মীৰাক তেতিয়া তেওঁ দিল্লীৰ ডেৰিয়াগঞ্জ অঞ্চলত থকা কন্যাগুৰুকুললৈ পঠিয়ালে। ইয়াতে মীৰাই একো আপত্তি নকৰিলে। বাপুৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিয়ে ইতিমধ্যে মেডেলিনৰ স্বাধীন সত্তা ধ্বংস কৰি পেলাইছিল আৰু তেওঁ হৈ পৰিছিল নিয়ম- শৃঙ্খলাৰ অধীন এক তপস্বিনী। তেতিয়া কন্যাগুৰুকুল আছিল নাৰী শিক্ষাৰ প্ৰধান কেন্দ্ৰ। কন্যাগুৰুকুললৈ আহি মীৰাৰ আন এক নতুন জীৱন আৰম্ভ হৈছিল। কন্যাগুৰুকুলৰপৰা মীৰাই আৰ্য সমাজৰ প্ৰধান কেন্দ্ৰ গুৰুকুল কাংগ্ৰীলৈ গৈছিল। প্ৰকৃতপক্ষে সেয়েই আছিল ভাৰতৰ গাঁওবাসী ৰাইজৰ লগত তেওঁৰ প্ৰথম সংস্পৰ্শ। কাংগ্ৰী গুৰুকূলত মীৰা থকা সময়তে মদন মোহন মালব্যৰ লগত গান্ধীজী তালৈ আহিছিল। মীৰাই অতিথি সৎকাৰৰ সকলো দায়িত্ব ল'ব লগা হৈছিল। গান্ধীজীৰ লগত মীৰাৰ সেয়ে চমু সাক্ষাৎ আছিল যদিও পাত্ৰযোগে মীৰাই বাপুৰপৰা ভালেমান সজ উপদেশ পাই আছিল।

ভাৰত আত্মাৰ লগত একাত্মতা স্থাপন কৰা মীৰাৰ কাৰণে তেতিয়া যেন ভাৰতত আশ্ৰম পৰিভ্ৰমণৰ এক পৰিক্ৰমাহে আৰম্ভ হৈছিল। কাংগ্ৰীত কিছুদিন থকাৰ পিছত মীৰা ৰেৱাৰ 'ভগৱদভক্তি' আশ্ৰমলৈ আহিছিল। পিছত 'ভাগৱদভক্তি' আশ্ৰমৰ পৰা মীৰা গৈছিল ৱাৰ্ধাৰ আশ্ৰমলৈ। ৱাৰ্ধাত কিছুকাল কটোৱাৰ পিছত মীৰা পুনৰ সৱৰমতীলৈ ঘূৰি আহিল। ইতিমধ্যে মীৰাই কিন্তু হিন্দুস্থানী ভাষা শিকি গাঁওবাসীৰ মাজত কাম কৰিবলৈ নিজকে উপযুক্ত কৰি তুলিছিল। সেয়ে বাপুৰ পৰামৰ্শলৈ তেওঁ গাঁওবাসীৰ মাজত কাম কৰাৰ কাৰণে বিহাৰলৈ যাত্ৰা কৰিলে। বিহাৰলৈ আহি গাঁওবাসীৰ মাজত কাম কৰোঁতে তেওঁ প্ৰথমবাৰৰ বাবে গাঁৱলীয়া ৰাইজৰ দৰিদ্ৰতা আৰু আনুষঙ্গিক দুখ-কষ্টৰ সম্পূৰ্ণ ছবি এখন দেখিবলৈ পালে আৰু বাপুৰ অন্তৰত জ্বলি থকা জুইকুৰাৰ মৰ্মাৰ্থ বুজি পালে। বিহাৰত কিছুদিন থকাৰ পিছতে মীৰা মেলেৰীয়াত বেয়াকৈ আক্ৰান্ত হ'ল। পিছত তেওঁৰ অসুখ কিছু ভাল হোৱাত তেওঁ গান্ধীজীৰ লগত কিছুদিনৰ কাৰণে আলমোৰালৈ যায়। আলমোৰাৰ পৰা এইবাৰ তেওঁ বাপুৰ ভ্ৰমণৰ সঙ্গী হৈ পৰিল।

ভাৰতৰ স্বাধীনতা আন্দোলন ক্ৰমে তীব্ৰ হৈ উঠিছিল। ১৯২৯ খৃঃত লাহোৰত বহা কংগ্ৰেছ অধিবেশনত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গৃহীত হ'ল। লাহোৰৰ পৰা গান্ধীজী সৱৰমতীলৈ ঘূৰি আহিল। বৃটিছ চৰকাৰে কংগ্ৰেছৰ দাবী পূৰণ নকৰিলে। গান্ধীজীৰ নেতৃত্বত তেতিয়া দেশজুৰি 'আইন অমান্য আন্দোলন' আৰম্ভ হ'ল। গান্ধীজীয়ে নিজে বৃটিছ চৰকাৰৰ লোণ আইন অমান্য কৰিবৰ উদ্দেশ্যে ৭৯ জন অনুগামী লৈ ১৯৩০ খৃঃৰ ১২ মাৰ্চ তাৰিখে সৱৰমতীৰপৰা সাগৰৰ পাৰৰ ডাণ্ডিলৈ যাত্ৰা কৰিলে। অতি আশ্চৰ্যৰ কথা আছিল এয়ে যে পৃথিৱীৰ বৃহৎ সাম্ৰাজ্যখন ওফৰাই পেলাবৰ কাৰণে ওলাই অহা এই বাহিনীটোত সামৰিক অস্ত্ৰ-শস্ত্ৰ একো নাছিল। ডাণ্ডিত গান্ধীজীয়ে নিজ হাতে নিমখ তুলি লোণ আইন ভঙ্গ কৰিলত তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল আৰু নিয়াৰবাদা কাৰাগাৰত ৰখা হ'ল। ফলস্বৰূপে দেশত তুমুল আন্দোলনৰ সূত্ৰপাত হ'ল। মীৰাবেনেও গ্ৰেপ্তাৰ বৰণ কৰি জেললৈ যাবলৈ সাজু হৈছিল যদিও গান্ধীজীৰ পৰামৰ্শমতে সত্যাগ্ৰহত যোগ দিয়াৰ পৰা বিৰত থাকি নেৰানেপেৰাকৈ গঠনমূলক কাম কৰি গ'ল।

ইতিমধ্যে গান্ধীজীক মুক্তি দিয়া হৈছিল। গান্ধীজীৰ লগত বৃটিছ ভাইছৰয় লৰ্ড আৰ্উইনৰ এক চুক্তি সম্পাদিত হ'ল। চুক্তি অনুসৰি আন্দোলন সাময়িকভাৱে স্থগিত ৰখা হ'ল। ভাৰতত সমস্যাৰ আলোচনাৰ কাৰণে ইতিমধ্যে লণ্ডনত প্ৰথমখন 'ঘূৰণীয়া মেজমেল' অনুষ্ঠিত হৈছিল। ২য় খন মেজমেলত যোগদান কৰিবৰ কাৰণে কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি স্বৰূপে গান্ধীজী লণ্ডনলৈ যাত্ৰা কৰিলে। এই যাত্ৰাত মীৰাবেন গান্ধীজীৰ সঙ্গী হ'ল। তেওঁৰ পৰিচৰ্য্যা দায়িত্ব মীৰাই গ্ৰহণ কৰিলে। লণ্ডনত ঘূৰণীয়া মেজমেলৰ আলোচনা নিষ্ফল হ'ল। গান্ধীজী স্বদেশলৈ উভতি আহিল। ভাৰত আহি পোৱাৰ লগে লগে গান্ধীজীক গ্ৰেপ্তাৰ কৰা হ'ল। কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰা হ'ল। মীৰাবেনকো বৃটিছ চৰকাৰে গ্ৰেপ্তাৰ কৰিলে। ইতিমধ্যে লণ্ডনত তৃতীয় 'ঘূৰণীয়া মেজমেল' অনুষ্ঠিত হৈ যায়। কিন্তু ইয়াৰ

আলোচনাও ফলদায়ক নহ'ল।

গান্ধীজীয়ে জেলৰ পৰা মুক্তি লাভ কৰাৰ পিছত খাদী আৰু হৰিজন আন্দোলনত নামি পৰিল। মীৰাবেনেও এই আন্দোলনত জপিয়াই পৰিল। দ্বিতীয় মহাসমৰৰ লগে লগে দেশৰ স্বাধীনতা আন্দোলনে এক নতুন মোৰ ল'লে। দেশ বিভাজন হোৱাটো অনিবাৰ্য্য হৈ উঠিল। গান্ধীজীৰ মনত এক বিষাদভাৱে গা কৰি উঠিল। বৰ অনিচ্ছা সত্ত্বেও গান্ধীজীয়ে বিভাজনৰ পৰিস্থিতি মানি ল'বলৈ দেশবাসীক আহ্বান কৰিলে। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে।

সৰ্বশক্তিমান ঈশ্বৰে সময়ে সময়ে নিজৰ অভীষ্ট সিদ্ধিৰ হকে এই ধৰাত জন্ম গ্ৰহণ কৰি নিজ উদ্দেশ্য সাধন হোৱাৰ অন্তত ইহ সংসাৰ এৰি গুচি যোৱাৰ দৰে গান্ধীজীয়েও তেওঁৰ অন্তৰৰ গভীৰতম কোণত উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষত তেওঁৰ প্ৰয়োজন শেষ হৈ গৈছে। মীৰাবেনেও ইতিমধ্যে হৃষিকেশৰ ওচৰৰ পশুলোকত শাৰী শাৰী গোহালি পাতি আশ্ৰম স্থাপন কৰাত ব্যস্ত হৈ পৰিছিল। কালৰ কি নিষ্ঠুৰ পৰিহাস যে যি গৰাকী নাৰীয়ে গান্ধীজীৰ শিষ্যত্ব লাভ কৰিবৰ কাৰণে নিজৰ মাক-বাপেক, জীৱন-যৌৱন আদি সকলো জলাঞ্জলি দি জীৱনত কঠোৰ শ্ৰম কৰি গ'ল, সেই গৰাকী নাৰী মীৰাবেনে গান্ধীজীৰ অন্তিম ক্ষণত তেওঁৰ ওচৰত থাকিব নোৱাৰিলে। ১৯৪৮ খৃঃৰ ৩০ জানুৱাৰীৰ দিনা গধূলি সময়ত আশ্ৰমৰ কাম তদাৰক কৰি গঙ্গাৰ পাৰত তেওঁ থকা 'গেষ্ট হাউচ'ত আহাৰ গ্ৰহণ কৰিবলৈ বহা সময়ত কেইজনমান মানুহে জীপ গাড়ী এখনেৰে আহি মীৰাক এই বাতৰিটো দিলে, - 'বাপুক হত্যা কৰিলে। প্ৰাৰ্থনা সভাত গুলী কৰি মাৰিলে।' খবৰটো শুনি মীৰা বিচলিত নহ'ল। স্থিতিপ্ৰজ্ঞৰ দৰে তেওঁ অবিচল হৈ থাকিল। বাপুৰ আত্মাৰ সদ্গতি কামনা কৰি তেওঁ ভগৱানক প্ৰাৰ্থনা জনালে। বহুদিন আগতে বাপুই মীৰাক কোৱা 'ঈশ্বৰত বিশ্বাস ৰাখা আৰু যতে আছা ততে থাকা' কথাষাৰ মনত পেলাই মীৰাই তাতে থাকিল আৰু নিজৰ দৈনন্দিন কাম-কাজত আত্মনিয়োগ কৰিলে। কিন্তু বাপুৰ কাম-কাজ আৰু চিন্তা ভাৱনাই মীৰাক এনেভাৱে প্ৰভাৱান্বিত কৰিছিল যে তেওঁ তেওঁৰ মনৰ ভিতৰৰ পৰা বাপুৰ চিন্তা বাদ দিয়াটো সম্ভৱপৰ নহৈছিল। এসময়ত বীথভেনৰ সঙ্গীতৰ সুৰে উন্মনা কৰি তোলা আৰু ৰোঁমাৰোঁলাৰ লিখনিয়ে উদ্বুদ্ধ কৰা এই গৰাকী মহীয়সী নাৰীৰ জীৱনত গান্ধীজীৰ সান্নিধ্যই এনে প্ৰভাৱ পেলাইছিল যে তেওঁ দৰিদ্ৰ ভাৰতবাসীৰ সেৱাৰ মাজেৰে এক আধ্যাত্মিক পথৰ সন্ধান পাইছিল - যি পথৰ যাত্ৰী হৈ তেওঁ জীৱনৰ সকলো উত্তেজনা আৰু অস্থিৰতাক জয় কৰিব পাৰিছিল।

---

*প্ৰবন্ধটি যুগুত কৰোঁতে সহায় লোৱা গ্ৰন্থ ঃ*
*মীৰাবেনৰ মূল ইংৰাজী গ্ৰন্থ "The Spirit's Pilgrimage"ৰ শ্ৰীমতী বিমল ভাগৱতীয়ে অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থ 'অসীমৰ যাত্ৰী'*
*প্ৰকাশকঃ অসম প্ৰকাশন পৰিষদ।*

# অসমৰ বৰ্তমান নিবনুৱা সমস্যা
## আৰু ইয়াৰ সমাধান

*আনন্দ ৰানা*
*স্নাতক ১ম বৰ্ষ*

অসমৰ বৰ্তমান নিবনুৱা সমস্যা এটি জ্বলন্ত সমস্যা। অৱশ্যে নিবনুৱা সমস্যাই আমাৰ সমগ্ৰ দেশ তথা বিদেশতো এটি ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই নিবনুৱা সমস্যা এক ক্ৰমবৰ্দ্ধমান হাৰত বাঢ়ি গৈ আছে। অসমতো এই সমস্যাই সকলোকে চিন্তিত কৰি তুলিছে।

অসমত বৰ্তমান কিমান সংখ্যক নিবনুৱা আছে তাক সঠিককৈ কোৱা টান। অৱশ্যে নিয়োগ বিনিময় কেন্দ্ৰৰ পৰিসংখ্যাৰপৰা অসমৰ কৰ্মহীনতাৰ পৰিমাণ সম্পৰ্কে এটা থূলমূল ধাৰণা কৰিব পাৰি। উল্লেখযোগ্য যে বিনিময় কেন্দ্ৰসমূহ মূলতঃ নগৰাঞ্চলত অৱস্থিত হোৱাৰ কাৰণে সাধাৰণতে নগৰীয়া কৰ্মহীন মানুহখিনিয়ে ইয়াত তেওঁলোকৰ নামবোৰ পঞ্জীভুক্ত কৰে। গাঁৱলীয়া অঞ্চলত থকা নিবনুৱাৰ খুব কম সংখ্যকে ইয়াত নাম অন্তৰ্ভুক্ত কৰে। আনহাতে পঞ্জীভুক্ত কিছুমান লোকে আকৌ ক'ৰবাত কাম পোৱাৰ পিছত নিয়োগ পঞ্জীৰ পৰা তেওঁলোকৰ নাম উঠাই নলয়। ফলস্বৰূপে প্ৰকৃত নিবনুৱাৰ সংখ্যা এই কেন্দ্ৰসমূহৰ পৰা পাব নোৱাৰি। তথাপি এই কেন্দ্ৰ সমূহৰপৰা নিবনুৱা সংখ্যাৰ কিছু ধাৰণা কৰিব পাৰি।

সাধাৰণতে কোনো উপাৰ্জনৰ পথ নোহোৱা বা কেনো কামবন নোহোৱা ব্যক্তিকে নিবনুৱা বুলি কোৱা হয়। ই স্বীকাৰ্য যে বৰ্তমান অসমত নিবনুৱাৰ সংখ্যা বহুত বেছি। ইয়াত সাধাৰণতে দুই ধৰণৰ নিবনুৱা পৰিলক্ষিত হয়। এবিধ হ'ল কৃষি ভিত্তিক নিবনুৱা আৰু আনবিধ হ'ল শিক্ষিত নিবনুৱা। প্ৰথমবিধ নিবনুৱা সাধাৰণতে গাঁৱলীয়া অঞ্চলতে দেখা যায়। আনবিধ নিবনুৱা অৱশ্যে সকলোতে থাকে।

অসম এখন কৃষি প্ৰধান ৰাজ্য। গতিকে গাঁৱৰ বেছিসংখ্যক লোকে কৃষিৰ কামত ব্যস্ত হৈ থাকিব লাগে। কিন্তু এইসকল লোকে বছৰৰ কেৱল পাঁচ বা ছমাহমানহে কৃষিৰ কাম কৰিব লাগে। বাকী দিন কেইটা তেওঁলোকে কৰ্মহীন বা নিবনুৱা হৈ কটাব লাগে। অসম কৃষি প্ৰধান ৰাজ্য হোৱা হেতুকে এনেধৰণৰ নিবনুৱাৰ সংখ্যা যে কম নহয় সি সহজে অনুমেয়। আনহাতে শিক্ষিত নিবনুৱাৰ সংখ্যাও বাঢ়ি আছে। শিক্ষাৰ প্ৰসাৰ হোৱাৰ লগে লগে শিক্ষিতৰ হাৰো বৃদ্ধিপ্ৰাপ্ত হৈছে। কিন্তু সেই অনুপাতে কৰ্মসংস্থাপনৰ সুবিধা হোৱা নাই। ফলস্বৰূপে বহুতো শিক্ষিত ব্যক্তি নিবনুৱা হৈ আছে।

ৰাজ্যখনত নিবনুৱা সমস্যা দেখা দিয়াৰ কাৰণ কেবাটিও। কৃষিভিত্তিক নিবনুৱা গাঁৱলীয়া অঞ্চলত দেখা যায়। গাঁও অঞ্চলত এনেধৰণৰ নিবনুৱা সমস্যা দেখা দিয়াৰ প্ৰধান কাৰণ হ'ল জনসংখ্যা বৃদ্ধি। অসমৰ গাঁওবোৰত জনসংখ্যা বাঢ়ি আছে। এই বাঢ়ি অহা জনসংখ্যা ৰোধ কৰিব নোৱাৰিলে জনসংখ্যা বাঢ়ি গৈয়ে থাকিব। গতিকে চৰকাৰে প্ৰৱৰ্তন কৰা পৰিয়াল পৰিকল্পনা আঁচনিৰ সফল ৰূপায়ণৰ প্ৰয়োজনীয়তা গাঁওবাসীয়ে উপলব্ধি কৰিব লাগিব। উন্নত ধৰণৰ জন্মনিয়ন্ত্ৰণ পদ্ধতি অৱলম্বন কৰিলেহে জনসংখ্যাৰ বৃদ্ধিৰ হাৰ বহুত কমিব বুলি আশা কৰিব পাৰি আৰু তেতিয়া নিবনুৱা সমস্যা কিছু পৰিমাণে দূৰীভূত হ'ব।

অসমৰ অৰ্থনীতি অনুন্নত অৰ্থনীতি। সেয়ে অনুন্নত অৰ্থনীতিও অসমৰ বৰ্দ্ধিত নিবনুৱা সমস্যাৰ অন্যতম কাৰণ। কৃষিক্ষেত্ৰত কাম কৰা লোকসকলে বছৰৰ কেইমাহমানহে খেতি কৰে। বাকী মাহ কেইটাত তেওঁলোকে নিবনুৱা হৈ থাকে। জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণে এনেধৰণৰ নিবনুৱাৰ সংখ্যাও বাঢ়ি গৈ আছে। আনহাতে অসমত প্ৰচলিত উত্তৰাধীকাৰী সূত্ৰেও নিবনুৱা সমস্যা বৃদ্ধি কৰাত অৰিহণা যোগাইছে। উত্তৰাধীকাৰী সূত্ৰমতে বাপেকৰ সম্পত্তিৰ অধিকাৰী পুতেক বা জীয়েকে হয়। সেয়ে পিতাকৰ মৃত্যুৰ পিছত পিতৃ সম্পত্তিৰ আশাত পুতেক বা জীয়েকে কাম বিচৰা বা নকৰাৰ চেষ্টাৰ প্ৰৱণতা দেখুৱায়। তাৰ ফলস্বৰূপে নিবনুৱা হৈ থাকে।

অসমৰ গাঁওবোৰত বহুতো যুৱক-যুৱতীয়ে গাঁৱলীয়া অঞ্চলৰ মুক্ত বায়ু সেৱন কৰি ফুৰিবলৈ ভাল পায় আৰু ঘৰখন মা-দেউতাকে কোনোমতে চলাই আছে যেতিয়া জীৱিকা অৰ্জনৰ কাৰণে যিকোনো কাম কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। ফলস্বৰূপে তেওঁলোক নিবনুৱা হৈ থাকিবলগীয়া হয়। নিবনুৱা সমস্যাৰ আন এটা কাৰণ হ'ল এয়ে যে কৃষিক্ষেত্ৰত ব্যৱহৃত হোৱা আওপুৰণি কৃষি পদ্ধতি। খেতিয়ক সকলে টেক্টৰ ব্যৱহাৰ নকৰি নাঙল আৰু গৰুৰে মাটি চহাই খেতি কৰে। আনহাতে তেওঁলোকে বছৰত একেডৰা মাটিত কেৱল এটা খেতিহে কৰে। খেতি ছপোৱাৰ পিছত সেই মাটিত তাৰ পিছতে আন খেতি নকৰে। ফলত মাটিডৰা এনেয়ে পৰি থাকে আৰু তেওঁলোকেও কৰ্মহীন হৈ বহি থাকিব লগা হয়। আনহাতে গাঁও অঞ্চলত প্ৰচলিত যৌথ পৰিয়ালৰ ফলতো নিবনুৱা বৃদ্ধি হোৱাৰ আন এটা কাৰণ।

কৃষিভিত্তিক নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ'লে প্ৰথমতে গাঁও অঞ্চলত বাঢ়ি অহা জনসংখ্যা ৰোধ কৰিব লাগিব। এই উদ্দেশ্যে পৰিয়াল পৰিকল্পনা আঁচনিৰ সফল ৰূপায়ণৰ অতি প্ৰয়োজন। দ্বিতীয়তে কুটীৰ শিল্প, ক্ষুদ্ৰ উদ্যোগ আদি গাঁওসমূহত গঢ়ি তুলিব লাগিব। দৰকাৰ হ'লে চৰকাৰৰপৰা এই উদ্দেশ্যে আৰ্থিক সাহায্য আৰু আন আন সা-সুবিধা আগবঢ়াব লাগিব। আনহাতে কৃষিকাম কৰা লোকসকলৰ মাজত সেউজ বিপ্লৱৰ বীজ ছটিওৱাৰ ব্যৱস্থা ল'ব লাগিব। তেওঁলোকক উন্নতমানৰ বীজ, সাৰ, কৃষিৰ সা-সঁজুলি আদিৰ যোগান ধৰিব লাগিব। তেনে স্থলত কৃষি উৎপাদন বৃদ্ধি হোৱাৰ লগতে বহুতে কৃষিকাৰ্যৰ প্ৰতি আকৰ্ষিত হ'ব। আনহাতে চৰকাৰৰ তৰফৰপৰা খেতি পথাৰত জলসিঞ্চনৰ সুবিধা আগবঢ়াব লাগে। লগতে বছৰত কেৱল এটা খেতিকে নকৰি কেনেকৈ তিনি চাৰিটা খেতি কৰিব পাৰি তাৰ যথোচিত প্ৰশিক্ষণো খেতিয়কসকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে ব্যৱস্থা হাতত ল'লে গাঁও অঞ্চলৰ নিবনুৱা সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি।

অসমৰ আন এটা নিবনুৱা সমস্যা হ'ল শিক্ষিত নিবনুৱা সমস্যা। বৰ্তমান অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। এই বৰ্দ্ধিত নিবনুৱা সমস্যাই দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত এক অস্থিৰতা আনিছে। কোৱা বাহুল্য যে এই সমস্যাৰ ফলত অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চতে সন্ত্ৰাসবাদ, বিশৃংখলা আৰু যুৱ-উশৃঙ্খলতাই মূৰ দাঙি উঠিছে।

শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি হোৱাৰ কাৰণ একাধিক। প্ৰথমতে উল্লেখ কৰিব পাৰি যে বৰ্তমান অসমত কাঠফুলাৰ দৰে গজি উঠা বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন শিক্ষা প্ৰতিষ্ঠানসমূহ। এই শিক্ষা অনুষ্ঠান আৰু প্ৰতিষ্ঠান সমূহৰপৰা প্ৰতি বছৰে বহু যুৱক-যুৱতী ডিগ্ৰী বা ডিপ্লমাধাৰী হৈছে যদিও উপযুক্ত কামৰ অভাৱত তেওঁলোক নিবনুৱা হৈ থাকিব লগা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমৰ শিক্ষা ব্যৱস্থা বিশেষকৈ তত্ত্বমূলক আৰু সাহিত্যবিষয়ক। ফলস্বৰূপে ব্যৱহাৰিক দিশত ইয়াৰ মূল্য নথকা স্বাভাৱিক।

এষাৰ কথা আছে যে 'শ্ৰমেই উন্নতিৰ মূল'। এই কথাষাৰৰ মূল্য শিক্ষিত চামে পাহৰি পেলাইছে। সেয়ে চাকৰিৰ বাহিৰে আন কাম কৰিবলৈ তেওঁলোক টান পায়। শিক্ষাব্যৱস্থা তাত্ত্বিক হোৱা কাৰণেও তেওঁলোকে ব্যৱহাৰিক কামৰ অনুপযুক্ত হয় আৰু ফলত তেওঁলোক নিবনুৱা হৈ থাকে। মুঠতে অসমত বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষা ব্যৱস্থাৰ অভাৱ হেতুকে শিক্ষিত নিবনুৱাৰ

সংখ্যা বৃদ্ধি হোৱা বুলি ক'লে বঢ়াই কোৱা নহয়।

অসমত শিক্ষিত নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ'লে কেইটামান ব্যৱস্থা ল'ব লাগিব। প্ৰথমতে প্ৰচলিত শিক্ষাব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগিব। বৰ্তমানৰ তত্ত্বগত শিক্ষাৰ উপৰিও ব্যৱহাৰিক বা কাৰিকৰী শিক্ষাৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব লাগিব। এই উদ্দেশ্যে স্কুল-কলেজসমূহত এনে ধৰণৰ শিক্ষা পোৱাৰ সুবিধা চৰকাৰে আগবঢ়াব লাগিব। তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীসকলে তেনে শিক্ষাত শিক্ষিত হৈ আত্মনিৰ্ভৰশীল হ'ব পাৰিব। চাকৰি নাপালেও নিজে কিবা এটা কৰি জীৱিকা অৰ্জন কৰিব পাৰিব। ফলস্বৰূপে শিক্ষিত নিবনুৱাৰ সংখ্যা কিছু হ্ৰাস পাব।

উল্লেখযোগ্য যে অসমৰ শিক্ষিত চামে চাকৰিমুখী নহৈ কৃষিমুখী হ'ব লাগে। বৰ্তমান অসমত একাংশ যুৱক-যুৱতীয়ে সমবায় পদ্ধতিত খেতি কৰিবলৈ লৈছে যদিও তাৰ দ্বাৰা নিবনুৱা সমস্যা সম্পূৰ্ণ দূৰ হোৱা নাই। গতিকে চৰকাৰে এই শিক্ষিত চামক বেঙ্কৰপৰা ঋণ লৈ সমবায় পদ্ধতিত খেতি কৰাৰ সুবিধা আগবঢ়াব লাগে। এনেধৰণে শিক্ষিত চামক কৃষিকাৰ্যত জড়িত কৰাৰ পৰিবেশ আনিব পাৰিলে নিবনুৱা সমস্যা ভালেখিনি সমাধান হ'ব।

অসমত দ্ৰুত উদ্যোগীকৰণৰ ব্যৱস্থা কৰিলেও নিবনুৱা সমস্যা বহু পৰিমাণে সমাধান কৰিব পৰা হ'ব বুলি আশা কৰিব পাৰি। এই উদ্দেশ্যে চৰকাৰী-বে-চৰকাৰী উদ্যোগখণ্ডক আৰ্থিক ঋণদান দিয়াৰ সুবিধা চৰকাৰৰ তৰফৰপৰা আগবঢ়াব লাগিব। আনহাতে চৰকাৰে অঞ্চলবিশেষে উদ্যোগস্থাপন কৰিলে বহু শিক্ষিত নিবনুৱাক কৰ্ম সংস্থাপনৰ সুবিধা দিব পৰা যাব। অসমত কেঁচা সামগ্ৰীৰ অভাৱ নাই। গতিকে উদ্যোগ স্থাপনৰো কোনো অসুবিধা থাকিব নোৱাৰে। প্ৰয়োজন কেৱল উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থা, চৰকাৰৰপৰা উদগনি আৰু ডেকা চামৰ কাম কৰাৰ আগ্ৰহ। এনে ব্যৱস্থাই নিশ্চয় শিক্ষিত নিবনুৱাৰ সংখ্যাৰ বৃদ্ধিৰ হাৰ ভালেখিনি কমাব বুলি আশা কৰিব পাৰি।

অসমত বৰ্তমান প্ৰচলিত 'ট্ৰাইচেম' আঁচনিক আৰু অধিক উন্নত কৰিলে নিবনুৱা সমস্যা সমাধান কৰিব পাৰি। এই আঁচনিৰ যোগেৰে শিক্ষিত নিবনুৱাসকলক মৌপালন, মীন পালন, ক্ষুদ্ৰশিল্প, কুটীৰ শিল্প, কাঠফুলাৰ খেতি, বৈজ্ঞানিক পদ্ধতিত কৃষি, এণ্ডিয়দাৰী আদিৰ প্ৰশিক্ষণ দিবলৈ ব্যৱস্থা লোৱা হৈছে। উল্লেখ কৰিব পাৰি যে প্ৰতিযোগিতামূলক পৰীক্ষা যেনে আই,এ,এছ এ,চি,এছ, আই,পি,এছ আদিৰ পৰীক্ষাৰ কাৰণে যুৱক-যুৱতীসকলক উপযুক্ত প্ৰশিক্ষণ দিয়াৰ সুবিধা আগবঢ়াব পাৰিলে বহুতো শিক্ষিত নিবনুৱাই কৰ্মসংস্থাপন পাব।

ভাৰত চৰকাৰৰদ্বাৰা নিয়োজিত বিশেষ নিয়োগ আঁচনি, শিক্ষিত নিবনুৱাৰ নিয়োগ আঁচনি, স্ব-নিয়োজন আঁচনি আদিৰ দ্বাৰাও অসমৰ নিবনুৱা সমস্যা কিছু পৰিমাণে সমাধান কৰিব পাৰি।

অসমৰ এই ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰিলে অদূৰ ভৱিষ্যতত অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে বিপদৰ আশঙ্কা কৰিব পাৰি। সেয়ে আৰু পলম নকৰি চৰকাৰে মানৱ সম্পদক উপযুক্তভাৱে কামত নিয়োজিত কৰাই দেশখনক প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ চেষ্টা কৰিব লাগে। দেশৰ প্ৰকৃত সম্পদ হ'ল মানৱ সম্পদ। সেয়ে বিভিন্ন আঁচনি ভালভাৱে প্ৰৱৰ্তন কৰি চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব লাগে। অসমৰ ডেকা চামেও আঁচনিসমূহৰ সফল ৰূপায়ণত ভালদৰে অংশগ্ৰহণ কৰি নিবনুৱা সমস্যা সমাধান কৰাত অৰিহণা যোগাব লাগে। তেতিয়াহে অসম তথা ভাৰতৰ উন্নতি হ'ব।

# চৰাই- ইয়াৰ উৎপত্তি আৰু জীৱন কাহিনীৰ চমু আভাস

মোবাচ্ছিৰ হাছান
স্নাতক ২য় বৰ্ষ (কলা)

আজিৰ সভ্যসমাজত বাস কৰা অধিক সংখ্যক মানুহেই চৰাইপ্ৰেমী। ই স্বীকাৰ্য। কিন্তু এই প্ৰাণীটোৰ বিষয়ে বহুতে খুব কমে জানে বা জানিবলৈ সিমান আগ্ৰহ প্ৰকাশ নকৰে। এইটো স্বাভাৱিক। ইয়াৰ কাৰণ হ'ল এয়ে যে এই যুগত প্ৰায় প্ৰতিজন ব্যক্তিয়ে ব্যস্ততাৰ মাজত সময় অতিবাহিত কৰে। তেনেস্থলত চৰাইৰ বিষয়ে জানিবলৈ তেওঁৰ আগ্ৰহ থাকিলেও তেওঁৰ সময় খুব কম। পৰিতাপৰ কথা এয়ে যে চৰাইৰ বিষয়ে জানিবলৈ কিছু সংখ্যক মানুহৰ আগ্ৰহ থকা দূৰৰ কথা, চৰাইক মাৰিবলৈহে তেওঁলোকে কুণ্ঠাবোধ নকৰে। চৰাইৰ প্ৰতি মানুহৰ এনে মনোবৃত্তিয়ে ভৱিষ্যতে যে চৰাইৰ বিলুপ্তি ঘটাব পাৰে তাক নিঃসন্দেহে ক'ব পাৰি।

যি হওক জগতৰ কেইজনমান মহৎ ব্যক্তিয়ে চৰাইৰ বিষয়ে যথেষ্ট অধ্যয়ন কৰি এই প্ৰাণীটোৰ সম্পৰ্কে আমাক বহুতো কথা জনাবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে চৰাইৰ ওপৰত গৱেষণা কৰি তেওঁলোকে যি তথ্য আগবঢ়াইছে তাৰপৰা এইটো সহজে অনুমান কৰিব পাৰি যে যিকোনো প্ৰাণীৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে কোৱা সিমান সহজ নহয়। প্ৰাণীবিধ কোন সময়ত আৰু প্ৰথমতে কোন প্ৰাণীৰপৰা উদ্ভৱ হৈছিল, সেইসময়ত পৰিৱেশ কেনেকুৱা আছিল আৰু আনকি বিভিন্ন স্তৰৰ মাজেদি আহি ই কেনেকৈ বৰ্তমানৰ স্তৰত বিকাশ লাভ কৰিলে- আদি উদ্ঘাটন কৰা সহজ নহয়। কিন্তু এইখিনিতে এষাৰ কথা উল্লেখ কৰা উচিত হ'ব যে একোবিধ প্ৰাণীৰ জীৱাশ্ম অধ্যয়ন আৰু তেতিয়াৰ ভূতাত্ত্বিক তথা ভৌগোলিক বিৱৰণ আদিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাণীবিধৰ দৈহিক গঠন, উৎপত্তিৰ স্থল আৰু ইয়াৰ কাৰ্যপ্ৰণালীৰ কিছু আভাস পাব পাৰি। মনকৰিবলগীয়া এয়ে যে আন প্ৰাণীৰ তুলনাত চৰাইৰ জীৱাশ্ম তেনেই তাকৰ।

চৰাইৰ যিখিনি জীৱাশ্ম পোৱা গৈছে তাক অধ্যয়ন কৰি এইটো জনা গৈছে যে মেছ'জইক যুগৰ একশ্ৰেণী সৰীসৃপৰপৰাই প্ৰথমতে চৰাইৰ উৎপত্তি হৈছে। কাৰ্বনিফেৰাছ যুগ অৰ্থাৎ তিনিশ নিযুত বছৰৰ পূৰ্বে সৰীসৃপৰ কটিল'ছাউৰিয়া নামৰ ঠালটোৱে বহুতো সৰু সৰু ঠালৰ জন্ম দিয়ে। এই ক্ষুদ্ৰ ঠালসমূহৰ এটাৰ পৰা কাছ জাতীয় প্ৰাণী, এটাৰ পৰা স্তন্যপায়ী প্ৰাণী আৰু এটাৰ পৰা ডাইন'ছৰ, ঘঁৰিয়াল আদিৰ দৰে প্ৰাণীৰ সৃষ্টি হয়। ছিউডন'ছুচিয়া নামৰ ঠালটোৰপৰা ডাইন'ছৰ আৰু ঘঁৰিয়ালৰ সৃষ্টি হয়। এই ঠালটোৱে টেৰ'ছাউৰিয়া, ছাউৰিচিয়া আৰু অৰেনিথিচিয়া নামৰ ঠাল তিনিটাক চৰাইৰ পূৰ্বপুৰুষ বুলি ক'ব পাৰি; কিয়নো এই ঠাল তিনিটাতে কিছু উৰণীয়া প্ৰাণী আছিল। সৰীসৃপ সমূহৰপৰাই চৰাইৰ উৎপত্তি হৈছে বুলি কোৱা হয় যদিও তাতো কিছু সন্দেহৰ অৱকাশ নথকা নহয়। ইয়াৰ কাৰণ হ'ল এয়ে যে এই সৰীসৃপ সমূহৰ কোনো এজাতৰে বুকুৰ ফালে থকা জক্ৰক (Furcula) নামৰ অস্থিখণ্ড নাছিল। আনহাতে এই সৰীসৃপ সমূহৰ দুই এটা চৰাইৰ লক্ষণ আছিল যদিও সৰীসৃপৰ লক্ষণহে বেছি আছিল।

যি হওক, প্ৰত্নজীৱবিদসকলৰ মতে প্ৰায় ১৫০ নিযুত বছৰৰ পূৰ্বে সৰীসৃপৰ পৰা চৰাইৰ ক্ৰমবিৱৰ্তন হৈছে। তেওঁলোকে এইটোও ক'ব খোজে যে স্তন্যপায়ী প্ৰাণীৰ বিকাশ তাৰো কিছু পূৰ্বে হৈছে। কিন্তু ১৮৬১ চনত বেভেৰিয়াৰ লাংগেনাল্‌থিমত থকা শ্লেট পাথৰৰ খনি এটাত পোৱা জীৱাশ্ম এটা অধ্যয়ন কৰাৰ অন্তত প্ৰকৃততে চৰাইৰ ক্ৰমবিৱৰ্তন অধ্যয়ন কৰা সহজ হৈ পৰে। জীৱাশ্মটি অধ্যয়ন কৰাত দেখা গৈছিল যে ই জুৰাচিক যুগৰ অৰ্থাৎ প্ৰায় ১৪০ নিযুত বছৰ আগৰ। কিন্তু উল্লেখযোগ্য যে এই জীৱাশ্মটোত সৰীসৃপৰ লক্ষণো যথেষ্ট আছিল আৰু তাত কেৱল চৰাইৰ ডেউকাৰ সাঁচহে আছিল। এইটো স্পষ্ট হয় যে যদি তাত ডেউকাৰ সাঁচ নেথাকিলেহেঁতেন, তেন্তে জীৱাশ্মটো সৰীসৃপ বুলি ধৰিব লাগিলহেঁতেন। ডাৰউইনে লিখা 'প্ৰজাতিৰ উৎপত্তি'

('Origin of Species') নামৰ গ্ৰন্থখন প্ৰকাশ হোৱাৰ পিছত এই জীৱাশ্মটোৰ উদ্ধাৰে তেতিয়া বহুতৰে মনত কিছু আশাৰ সঞ্চাৰ কৰে। জীৱাশ্ম চৰাইটোৰ নাম ৰখা হৈছিল আৰ্কিয়পটেৰিক্স অৰ্থাৎ প্ৰাচীন পক্ষী। ইতিমধ্যে ১৮৭৭ আৰু ১৯৬৫ চনত আৰু দুটা জীৱাশ্ম উদ্ধাৰ হৈছিল। উল্লেখযোগ্য যে বেভেৰিয়াত পোৱা জীৱাশ্মটোৰ ওপৰত ভিত্তি কৰি এটা পূৰ্ণাঙ্গ চৰাইৰ মডেল তৈয়াৰ কৰা হৈছিল। আকাৰত আৰ্কিয়পটেৰিক্স সম্ভৱ এটা বনৰীয়া কুকুৰাৰ সমানহে আছিল। কিন্তু ই প্ৰকৃততে কোন জাত সৰীসৃপৰ পৰা উদ্ভৱ হৈছিল তাক সঠিককৈ কোৱা টান। অৱশ্যে এইটো স্পষ্ট হয় যে দীঘল পাছ ঠেং থকা আৰু দীঘল নেজীয়া কোনোবা এজাত সৰীসৃপৰ পৰাই এই প্ৰথম চৰাই জাতৰ উৎপত্তি হৈছিল।

মনকৰিবলগীয়া এয়ে যে প্ৰায় ১০০ নিযুত বছৰ আগতে থকা আন কেইজাতমান চৰাইৰ জীৱাশ্মও পোৱা গৈছিল। ইয়াৰে এজাতৰ নাম হেছপেৰ'বনিছ। ই চাৰি/পাঁচ ফুট দীঘল আৰু ইয়াৰ পাখিসমূহ নামমাত্ৰহে আছিল। সেই কাৰণে ই উৰিব নোৱাৰিছিল। তেতিয়াৰ আন এবিধ চৰাইৰ নাম হ'ল ইকথায়'ৰনিছ। ই আকাৰত এটা পাৰ চৰাইৰ সমান আছিল। ইয়াৰ কিন্তু পাখিবিলাক ডাঙৰ আছিল আৰু সেই কাৰণে ই ভালকৈ উৰিব পাৰিছিল। আনকি ব্ৰহ্মদেশত কিল (Keel) নামৰ চৰাই এবিধৰ অতি প্ৰয়োজনীয় অস্থিখণ্ডও আছিল। দুৰ্ভাগ্যবশতঃ কিবা কাৰণত এই চৰাইবোৰ পৃথিৱীৰ পৰা মেলানি মাগিব লগা হৈছিল। ইহঁতৰ বিলুপ্তিৰ কাৰণ অজানিত।

জুৰাচিক যুগৰ সমাপ্তি ঘটাৰ লগে লগে আলিগ'ছিন আৰু মায়'ছিন যুগত বৰ্তমানে থকা প্ৰায় বেছিভাগ চৰাইৰে উৎপত্তি হোৱা বুলি কোৱা হৈছে। উল্লেখযোগ্য যে পেলিঅ'ছিন যুগত লুপ্ত হোৱা এবিধ চৰাই হ'ল ডায়াট্ৰিমা। ই উত্তৰ আমেৰিকাৰ সমভূমি অঞ্চলত বাস কৰিছিল। ই ওখই আছিল সাতফুটমান আৰু ইয়াৰ মূৰটো আছিল ঘোঁৰাৰ মূৰৰ দৰে। আনহাতে ইয়াৰ ঠোঁটটো ডাঙৰ আৰু চোকা আৰু ঠেং দুখন শক্তিশালী আছিল। অলিগ'ছিন যুগত লুপ্ত হোৱা আন এজাত চৰাইৰ নাম হ'ল ফ'ৰৰহেক'ছ। ইয়াৰ ডায়াট্ৰিমাৰ দৰে চোকা ঠোঁট আৰু সৰু সৰু পাখি আছিল। ই কিন্তু ওখই আছিল মানুহৰ সমান। ই কালক্ৰমত লুপ্ত হয় বুলি জনা গৈছে।

পণ্ডিতসকলৰ মতে ১৩ৰ পৰা ২নিযুত বছৰৰ আগতে বৰ্তমানে থকা সকলো চৰাইৰ সৃষ্টি হৈছিল। ফ্লৰিডা বিশ্ববিদ্যালয়ৰ পক্ষীবিদ পিয়েৰ্ছ ব্ৰডকৰ্বৰ মতে সেই সময়ছোৱাত প্ৰায় ১১,৬০০ মান জাতৰ চৰাই আছিল। কিন্তু বিগত দুই নিযুত বছৰৰ ভিতৰত পক্ষীজগতত বহুতো উত্থান-পতন ঘটিছিল। ইয়াৰ কাৰণ হ'ল এয়ে যে বৰফ যুগৰ কবলত পৰি বহুত উদ্ভিদ আৰু প্ৰাণী ধ্বংস হৈছিল। আনহাতে পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত খাপ খাব নোৱাৰাৰ কাৰণেও বহুতো চৰাইৰ জাত লুপ্ত হৈছিল। মনকৰিবলগীয়া এয়ে যে এনে বিপদ-বিঘিনি অতিক্ৰম কৰি অহাৰ পিছতো বৰ্তমানে দেখা চৰাইৰ সংখ্যা সিমান কম নহয়। জনা গৈছে যে বৰ্তমান পৃথিৱীত মুঠ ৮৫০০ টা প্ৰজাতিৰ চৰাই আছে। ইয়াৰে ১২৫০ টা মান চৰাইৰ প্ৰজাতি আমাৰ ভাৰতবৰ্ষতে আছে। আকৌ তাৰে প্ৰায় ৮০০ মান প্ৰজাতি লুপ্ত হোৱা বুলি জনা গৈছে।

উল্লেখযোগ্য যে একোটা চৰাইৰ কুইল অৰ্থাৎ ডাঙৰ পাখি কিমান তাক সহজে গণনা কৰিব পাৰি। কিন্তু সৰু পাখিসমূহ গণনা কৰা বৰ টান। যি হওক পক্ষীবিদসকলে কেতবোৰ চৰাইৰ মুঠ পাখি কিমান তাক গণনা কৰি উলিয়াইছে। উদাহৰণস্বৰূপে এজনী প্লাইমাউথ কুকুৰাৰ পাখি গণনা কৰাত ইয়াৰ মুঠ ৮৩২৫টা পাখি পোৱা গৈছে। এজনী বাজহাঁহৰ পাখি গণনা কৰাত ইয়াৰ মুঠ ২৫,২১৬ টা পাখি পোৱা গৈছে। দেখা গৈছে যে এই পাখিসমূহৰ শতকৰা ৮০ ভাগেই চৰাইৰ মূৰ আৰু ডিঙিৰ অংশত থাকে। একে জাতৰ চৰাইৰ পাখিৰ সংখ্যা সাধাৰণতে সমানে দেখা যায়। কিন্তু বিভিন্ন ঋতুত চৰাইৰ পাখিৰ সংখ্যা কম বেছি হয়। উদাহৰণস্বৰূপে জাৰকালি ঘৰচিৰিকা এটাৰ পাখি গণনা কৰি চোৱাত মুঠ ৩৫০০ টা পাখি পোৱা গৈছিল। কিন্তু সেই চৰাইটোৰ পাখি জুলাই মাহত গণনা কৰি চোৱাত মুঠ ৪০০ টা পাখি কম পোৱা গৈছিল। মুঠতে আমি যেনেকৈ আমাৰ পিন্ধা কাপোৰ পুৰণি হ'লে পেলাই দিওঁ বা ব্যৱহাৰ নকৰোঁ, ঠিক

তেনেকৈ চৰাইও পাখি পুৰণি হ'লে সলাই লয় আৰু তাৰ ঠাইত নতুন পাখিৰে তাৰ দেহটো সজাই লয়। অৱশ্যে কিছুমান চৰায়ে বসন্তকাল অহাৰ লগে লগে আৰু এবাৰ পাখি সলাই লয়। এই সময়ত নতুনকৈ ধুনীয়া পাখি গজাই ইহঁত ধুনীয়া হৈ পৰে আৰু ইটোৱে সিটোক যৌনমিলনৰ কাৰণে আকৰ্ষণ কৰে। আমি যেনেকৈ চুলিৰ যত্ন লওঁ, চৰাইও তেনেকৈ তাৰ পাখিৰ যত্ন লয়। আমি মূৰ ফণিওৱাৰ দৰে চৰাইও তাৰ নেজৰ পাখিৰ গুৰিত থকা এবিধ তৈলগ্ৰন্থিৰ পৰা তেল ঠোঁটেৰে লৈ মাজে সময়ে পাখি ফণিয়ায়। উল্লেখযোগ্য যে পাখিৰ ৰঙেই চৰাইৰ ৰং।

উৰণেই হ'ল চৰাইৰ বৈশিষ্ট্য। ইয়াৰ উৰণ প্ৰণালী উৰাজাহাজৰ দৰে। বিমান কোঠত উৰাজাহাজে আকাশলৈ উঠাৰ আগ মুহূৰ্ত্তত দৌৰপথত যেনেকৈ কিছু দূৰ দৌৰিব লগা হয়, ঠিক তেনেকৈ ডাঙৰ আকৃতিৰ চৰাইবোৰেও অলপদূৰ মাটিত দৌৰিহে পিছত ওপৰলৈ উৰা মাৰিব পাৰে। অৱশ্যে সৰু চৰাইবোৰে ঠেঙৰ ওপৰত দোপ দি আৰু ডেউকা কোবাই আকাশলৈ উৰা মাৰে। চৰাই পৃথিৱীৰ সকলো ঠাইতে আছে। কিছুমান জাতৰ চৰাই পৃথিৱীৰ সকলো দেশতে দেখা যায়। আন কিছুমান জাতৰ চৰাই একোখন নিৰ্দ্দিষ্ট দেশ বা একোটা নিৰ্দ্দিষ্ট অঞ্চলতে পোৱা যায়। কিছুমান চৰায়ে আকৌ এখন ঠাইতে গোটেই জীৱনকাল থাকে। এনে চৰাইবোৰ হ'ল শালিকা, ঘৰচিৰিকা, কাউৰী, বগলী আদি। কিছুমান চৰাই পৰিভ্ৰমীও। এনে চৰাইবোৰে বছৰত এবাৰ আন ঠাইলৈ ভ্ৰমণ কৰে, তাত কিছুদিন থাকে আৰু পিছত পুনৰ আগৰ ঠাইলৈ উভতি আহে। কুলি, কেতেকী আদি এনে জাতৰ চৰাই।

চৰায়ে বিভিন্ন গছৰ ফল-মূল, পাত, ফুলৰ ৰেণু, পোক-পতঙ্গ, মাছ, ভেকুলী, সৰীসৃপ আদি খায়। আনকি কেতবোৰ চৰায়ে গেলা-পচা মাছ-মঙহ আদিও খায়। একোটা চৰাইক তাৰ নিজৰ ওজনৰ শতকৰা তিনিৰপৰা ত্ৰিশভাগ পৰ্য্যন্ত আহাৰৰ প্ৰয়োজন হয়। কেইবিধমান চৰাই আৰু সিহঁতৰ প্ৰয়োজন হোৱা আহাৰৰ পৰিমাণ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

| চৰাই | দেহৰ ওজনৰ অনুপাতে শতকৰা পৰিমাণ |
|---|---|
| হাঁহ | ৩.৪ ভাগ |
| চিলনী | ৪.৫ ভাগ |
| পাৰ | ৫.৪ ভাগ |
| ফেঁচা | ৫.৫ ভাগ |
| কপৌ | ৮.৬ ভাগ |

শস্যভোজী বা মাংসভোজী বা ফলাহাৰীয়ে হওক, সকলো চৰায়ে সিহঁতৰ পোৱালীবোৰক পোক-পতঙ্গ, পলু আদিহে খুৱায়। ইয়াৰপৰা এইটো ধাৰণা কৰিব পাৰি যে একালত সকলো চৰাই মাংসভোজী আছিল।

বিভিন্ন কাৰণত মানুহে যেতিয়াৰপৰা চৰাইৰ ওপৰত অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে তেতিয়াৰ পৰাই বহুতো চৰাই এই পৃথিৱীৰপৰা ক্ৰমান্বয়ে চিৰবিদায় ল'ব লগাত পৰে। অৱশ্যে এই ক্ষেত্ৰত পৰিবেশৰো প্ৰভাৱ নথকা নহয়। বৰ্তমানে লুপ্ত হোৱা চৰাইবোৰ হ'ল- দক্ষিণ-পূব ব্ৰাজিলৰ ৰিয়া, নিউজিলেণ্ডৰ মোৱা, আমেৰিকাৰ ড'ড আৰু পেছেঞ্জাৰ পাৰ। আনহাতে আমাৰ দেশ ভাৰতবৰ্ষৰ লুপ্ত হ'ব খোজা চৰাই সমূহ হ'ল-

(ক) বাজাৰ (খ) ৰঙিয়াল ডৰিক (গ) ভৰত পক্ষী (ঘ) ধনেশ পক্ষী (ঙ) জাৰডন্স ক'ৰছাৰ (চ) শেন চৰাই (ছ) লেম্বাৰ গেইয়াৰ (জ) গুলপীয়া মূৰৰ দেও হাঁহ (ঝ) মৰা চৰাই (ঞ) চিলেটাৰ মনাল (ট) বগা পেটৰ সাগৰীয় ঈগল (ঠ) বগাকণীয়া ডৰিক (ড) বগা ডেউকাৰ বনহাঁহ ইত্যাদি।

উৰিব নোৱাৰা চৰাইও আছে। কিন্তু সিহঁতৰ সংখ্যা অতি কম। উৰিব নোৱাৰা চৰাই কেইবিধমান উল্লেখ কৰিব পাৰি। যেনে- আফ্ৰিকাৰ উট পক্ষী, দক্ষিণ আমেৰিকাৰ ৰিয়া, অষ্ট্ৰেলিয়াৰ এমু আদি। উৰিব নোৱাৰা চৰাইৰ ভিতৰত আটাইতকৈ সৰু হ'ল কিৱি চৰাই। দেখাত ই এটা কুকুৰাৰ সমান। ই পোক-পতঙ্গ, কেচু, পতঙ্গৰ পলু, গছৰ ফল পাত আদি খাই জীয়াই থাকে।

চৰাইৰ কণী বিভিন্ন প্ৰকাৰৰ আছে। হামিং নামৰ সৰু চৰাই এজাতৰ কণীৰ আকাৰ একোটা মটৰ মাহৰ সমান। উট চৰাইৰ কণী ডাঙৰ আকাৰৰ। কণীৰ

চোকোবাটো বৰ ডাঠ। মাছৰোকা, বাঁঢ়েটোকা, ভাটৌ ফেঁচা, মৌপিয়া আদি গাঁতত কণী পৰা চৰাইৰ কণীবিলাক বগা। সাধাৰণতে সৰহকৈ খাৰলৈ পোৱা আৰু এলেহুৱা চৰাই বিলাকৰ কণী ডাঙৰ হয়। কিন্তু কৰ্মী চৰাইবোৰৰ কণী সৰু হয়। আকৌ ডাঙৰ আকৃতিৰ চৰায়ে সৰু কণী পাৰে বুলি সাধাৰণতে কোৱা হয়। কিছুমান ক্ষেত্ৰত ই সঁচা নহয়। উদাহৰণস্বৰূপে কিৰি নামৰ চৰাইটো আকাৰত পেলিকান চৰাই এটাৰ আধামানহে। কিন্তু এইবিধ চৰাইৰ কণী পেলিকান চৰাইৰ কণীতকৈও ডাঙৰ।

চৰাইৰ সাংসাৰিক জীৱনৰ পাতনি মেলা মনকৰিবলগীয়া। মানুহে যেনেকৈ পতি-পত্নীৰূপে ল'ৰা-ছোৱালীৰ সৈতে সাংসাৰিক জীৱন নিৰ্বাহ কৰে, ঠিক তেনেকৈ চৰাইও সংসাৰ পাতে। সাধাৰণতে চৰাইৰ ক্ষেত্ৰত এক স্ত্ৰী এক পতি দেখা যায়। কিন্তু কিছুমান ক্ষেত্ৰত চৰাইৰ এক স্ত্ৰী, বহুপতি, বা এক পতি, বহু স্ত্ৰী থাকে। উদাহৰণস্বৰূপে দলপুঙা চৰাইৰ একেজনী মাইকীয়ে কেইবাটাও মতাৰ লগত সহবাস কৰে। মাইকীটোৱে কণী পৰাৰ পিছত পোৱালী জগিলে পোৱালীটোৰ দায়িত্ব মতাটোৰ ওপৰত অৰ্পণ কৰি মাইকীটোৱে পুনৰ নতুন, মতাৰ সন্ধানত ওলায়। এনেকৈ এইবিধ চৰায়ে এটাৰ পিছত এটা লগৰী সলাই থাকি জীৱন নিৰ্বাহ কৰে। আনহাতে একোটা মতা টোকোৰা চৰাইৰ কেইবাজনী মাইকী থাকে। কিন্তু এই ক্ষেত্ৰত মতা চৰাইটোৰ ভাগ্য ভাল যে প্ৰতিজনী মাইকী টোকোৰাই দুৰ্গৰ দৰে সজা বাহত সোমাই থাকে। গতিকে এজনীয়ে সিজনীক দেখা নাপায়। কেৱল মতাটোৱে বাহ সলাই প্ৰতিজনী মাইকীৰ লগত সহবাস কৰে। এইখিনিতে আনবিধ চৰাই ভাটৌৰ প্ৰেম নিবেদন উল্লেখ কৰিব পাৰি। এইবিধ চৰাইৰ মতাটোৱে মাইকীজনীৰ কাষত লাহেকৈ বহি লয়। তেতিয়া মাইকীজনীয়ে তাইৰ ঠোঁটটোৱে মতাটোৰ মূৰত বুলাই দিয়ে। পিছত দুয়ো দুয়োৱে ঠোঁট দুটা লগ লগাই দিয়ে আৰু মতাটোৱে তেতিয়া গুণ গুণায়,- যেন ই কিবা কয়হে। আনন্দত সি যেন গীত এফাকিহে গায়। এনেকৈ প্ৰেম নিবেদন কৰি সিহঁতে সিহঁতৰ সাংসাৰিক জীৱনৰ পাতনি মেলে।


উল্লেখযোগ্য যে চৰাইৰ সমাজত পতি-পত্নীৰ মাজত থকা মৰম-প্ৰীতিৰ উপৰিও সিহঁতৰ পো-পোৱালিৰ প্ৰতিও সিহঁতৰ মৰম-স্নেহ নথকা নহয়। বেছিভাগ চৰায়ে পোৱালি ডাঙৰ হৈ খাদ্য খুটি খাব নোৱাৰালৈকে সিহঁতক লালন-পালন কৰি ডাঙৰ-দীঘল কৰে। আমি দেখি থকা হাঁহ-কুকুৰাবোৰে লগত এজাক এজাক পোৱালি লৈ ফুৰে। ইয়াৰ উদ্দেশ্য হ'ল সিহঁতে নিজে খাদ্য খোৱা আৰু খাদ্য গোটাই পোৱালিবোৰকো প্ৰশিক্ষণ দিয়া। ইয়াৰ উপৰি পোৱালিবোৰক ৰক্ষণাবেক্ষণ দিয়াও সিহঁতৰ উদ্দেশ্য।

পক্ষীজগতত কিছুমান চৰাইক কিছুমান শিপিনী চৰাই বুলিব পাৰি। কাৰুকাৰ্য্যত ইহঁতে আমাৰ শিপিনীসকলকো চেৰ পেলাব পাৰে। ঘাঁহ, ঘাঁহৰ শিপা, গছৰ আঁহ, পেলনীয়া কাপোৰ আদিৰে ইহঁতে নিজৰ নিজৰ বাহ চিলাই কৰি সাজে। পাতসিয়া হ'ল এনে জাতৰ চৰাই। ইহঁতে গছৰ দুটা বা তাতোধিক পাত লগ লগাই তাৰ কাষবোৰ চিলাই কৰি একোটা মোনা তৈয়াৰ কৰে। মোনাটোৰ ভিতৰত তুলা, কপাহ আদি ভৰাই দিয়ে। ইয়ে এইবিধ চৰাইৰ বাহ। আন্দামান নিকোবৰত মেগাপদ নামৰ আন এবিধ চৰাই আছে। ই মাটিত টিপ তুলি বাহ সাজে। মুঠতে ভালকৈ ঘৰ-দুৱাৰ সাজি সুখেৰে থাকিবলৈ আমাৰ যেনে হেঁপাহ, চৰাই-চিৰিকটিৰো তেনে হেঁপাহ।

পৰিতাপৰ কথা এয়ে যে চৰাইৰ সংখ্যা ক্ৰমাৎ কমি আহিছে। হাড়গিলা, শামুকভঙা আদিৰ সংখ্যা কমি আহিছে। পেলিকান, মাছৰোকা, বগলী, কণামুচৰী, কুৰুৱা আদি চৰাইবিলাকৰো অৱস্থা তথৈবচ। বৰ্তমানে বৰটোকোলা চৰাই কাচিৎহে দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল খাদ্যৰ অভাৱ। চৰাইৰ খাদ্য কমি যোৱাৰ ফলত চৰাইৰ সংখ্যাও কমিল। এনে অৱস্থাত চৰাই সংৰক্ষণৰ বিশেষ ব্যৱস্থা লোৱা যুগুত।

চৰাই সম্পৰ্কে আৰু বহুতো তথ্য উদ্ঘাটন কৰা নিতান্ত আৱশ্যক। এই কাম কেৱল পক্ষীবিদসকলৰ ওপৰতে নিৰ্ভৰ কৰে। মুঠতে ভৱিষ্যতে চৰাইৰ বিষয়ে আৰু বহুতো কথা জানিব পৰা হ'ব বুলি আশা কৰিব পাৰি।

*সহায় লৈ*



শ্ৰীসত্যজিত কলিতা

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৬-৯৭ চনৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি সম্পাদকৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সাহিত্য হ'ল জাতিৰ দাপোণ স্বৰূপ। দাপোণত মুখখন প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যতো জাতিৰ কৃষ্টি, সংস্কৃতি, আচাৰ-ব্যৱহাৰ আদিৰ ছবিখন ওলাই পৰে। এনে ক্ষেত্ৰত সাহিত্যিকৰ দায়িত্ব গধুৰ। সাহিত্যিকে সমাজ সচেতন হোৱা অতি প্ৰয়োজন। সাহিত্য আৰু সংস্কৃতিৰ পাৰস্পৰিক বিনিময় সাধন, সাহিত্যৰ জৰিয়তে বিভিন্ন জাতি, জনগোষ্ঠীৰ মাজত আত্মিক সংযোগ স্থাপন আৰু অন্যায়, অসাম্য আদিৰ বিপৰীতে সাম্যবাদী দৃষ্টিভঙ্গীৰে সমাজ, জাতি তথা দেশখনক নিকা কৰাৰ দৃঢ় মানসিকতা সাহিত্যিকৰ থকা উচিত। বিশ্ববাসীক মহৎ আদৰ্শেৰে অনুপ্ৰাণিত কৰি তুলিব পাৰে কেৱল সাহিত্যিকসকলে তেওঁলোকৰ লিখনিৰ জৰিয়তে। সেয়ে সাম্প্ৰতিক কালত জাতি সত্তাৰ স্বাধীনতা ৰক্ষা কৰি আন্তৰ্জাতিক সহাৱস্থানৰ আদৰ্শেৰে বিশ্বৰ বুকুত এক মানৱ সমাজ গঢ়ি তুলিবলৈ সাহিত্যিকসকলে কাপ হাতত লোৱা প্ৰয়োজন।

অসমৰ সাম্প্ৰতিক অগ্নিগৰ্ভা পৰিস্থিতিত প্ৰতিজন অসমবাসীৰ অন্তৰ উদ্বেলিত। অসম মাতৃক জুৰুলা কৰিছে অসমৰ চাৰিওপিনে বিয়পি পৰা সাম্প্ৰদায়িক সংঘৰ্ষই। চাৰিওফালে হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণ আদিৰ প্ৰকোপ দিনক দিনে বাঢ়ি গৈছে। আনহাতে বিদেশী সমস্যাই অসমবাসীক চিন্তিত কৰি তুলিছে। অসমত বিদেশী থকালৈকে অসমীয়াৰ অস্তিত্ব সংকটজনক। অস্তিত্বৰ সংকটত ভীতিবিহ্বল হৈ পৰা জাতিটোৱে গোটেই বিশ্ববাসীক চমক খুৱাই গণ আন্দোলন গঢ়ি তুলিছিল। ছ-বছৰ ধৰি চলি থকা এই আন্দোলনত অসমৰ বহুতো যুৱক-যুৱতীক হত্যা আৰু পঙ্গু কৰি যি ইতিহাস সৃষ্টি কৰা হ'ল তাক কোনেও পাহৰিব নোৱাৰে। শেষত এখন চুক্তিৰে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটাই নেতৃবৃন্দই স্বস্তিৰ নিশ্বাস এৰিলে। এই চুক্তি আৰু কাৰ্যকৰী নহ'ল। আকৌ ৰাষ্ট্ৰযন্ত্ৰৰ সীমাহীন শোষণ নিষ্পেষণৰ পৰা অসমীয়া জাতি সত্তাক মুক্ত কৰিবলৈ এচাম যুৱকে হাতত বন্দুক তুলি লৈছে। এক স্বাধীন অসমৰ স্বপ্ন তেওঁলোকৰ চকুত জিলিকিছে। স্বাধীন অসম এক বহু বিতৰ্কিত বিষয়। যি হওক কেন্দ্ৰৰ শোষণ নিষ্পেষণৰ এই অৱধাৰিত প্ৰক্ৰিয়াটো শেষ হোৱাটো আমি সকলোৱে বিচাৰোঁ। নেতাসকলৰ অদূৰদৰ্শিতাৰ ফলতেই যে পুনৰ অসমবাসীৰ বহুতে সামৰিক অত্যাচাৰৰ বলি হ'ব লগা হ'ল তাক কোনেও নুই কৰিব নোৱাৰে। মুঠতে অন্যায়, অবিচাৰ, হত্যা, লুণ্ঠন, শোষণ আদি সকলো আঁতৰি অসমত সুখ-শান্তি বিৰাজ কৰক- এয়ে আমাৰ সকলোৰে কাম্য।

মোৰ কাৰ্যকালত ১৯৯৬-৯৭ চনৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে

সাহিত্য বিভাগৰ ফালৰপৰা কবিতা, চুটিগল্প, প্ৰবন্ধ আৰু বেটুপাত প্ৰতিযোগিতা পতা হৈছিল । ইয়াৰ উপৰি থিতাতে লিখা কবিতা আৰু কাৰ্টুন প্ৰতিযোগিতাও পতা হৈছিল । বেটুপাত প্ৰতিযোগিতাৰ বাহিৰে আন কেইটা প্ৰতিযোগিতাত প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰিছিল । প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান পোৱা প্ৰতিযোগীসকলক কিতাপ আৰু প্ৰমাণ-পত্ৰেৰে পুৰস্কৃত কৰা হয়। প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

উক্ত বৰ্ষৰ নৱাগত আদৰণী সভা উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ৰচনাৰে এখন 'প্ৰাচীৰ পত্ৰিকা' উলিওৱা হয় । ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ ৰচনাৰে প্ৰকাশিত 'প্ৰাচীৰ পত্ৰিকা'খনি শিংৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মাননীয় শ্ৰীযুত লক্ষ্মণ প্ৰসাদ বাভাদেৱৰ দ্বাৰা সমূহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত উন্মোচন কৰা হয় ।

মহাবিদ্যালয়ৰ আলোচনী এখন ছপা আখৰত প্ৰকাশ কৰাৰ গধুৰ দায়িত্ব সৰ্বজনবিদিত । সম্পাদক হিচাপে নিৰ্বাচিত হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এই গধুৰ দায়িত্ব মই বাৰুকৈ উপলব্ধি কৰিছিলোঁ । মোৰ সন্দেহ হৈছিল যে এই গধুৰ দায়িত্ব মই পালন কৰিব পাৰিম নে নাই। যি হওক দায়িত্ব লৈ এখন সৰ্বংগ সুন্দৰ আলোচনী ছপা কৰি উলিওৱাৰ স্বপ্ন মই দেখিছিলোঁ । সেই সপোন দিঠকত পৰিণত কৰিবৰ্লৈ মই কোনোক্ষেত্ৰতে হেমাহি নকৰি মোৰ দায়িত্ব পালনত আগবাঢ়িছিলোঁ। কিন্তু পৰিতাপৰ বিষয় এয়ে যে কেবাখনো জাননী দিয়াৰ পিছত লেখক-লেখিকাসকলৰ পৰা পোৱা প্ৰবন্ধ পাতিৰ সংখ্যা কম আছিল। তদুপৰি প্ৰবন্ধ-পাতিৰ বেছিভাগে মানবিশিষ্ট হোৱা নাছিল । যি হওক 'হয় কিঞ্চিৎ, - নহয় বঞ্চিত' কথাষাৰ অনুসৰণ কৰি মনত ন-উদ্যম আৰু সাহেৰে আগবাঢ়িছিলোঁ মোৰ কৰ্তব্যপালনত । মাননীয় শিক্ষাগুৰু সকলৰ পৰা অনুৰোধক্ৰমে কিছু সংখ্যক প্ৰবন্ধ-পাতি হাতত পৰিছিল। আনহাতে শেষ মুহূৰ্তত পলমকৈ হ'লেও জাননী দিয়াত সেই মৰ্মে আৰু কিছু প্ৰবন্ধ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পাইছিলোঁ। উল্লেখযোগ্য যে মহাবিদ্যালয় এখনৰ আলোচনীৰ কাৰণে উৎকৃষ্ট লিখনিৰ আৱশ্যক। তেনে লিখনি হাতত পৰা নাছিল যদিও পোৱা লিখনিসমূহৰপৰা কিছু সংখ্যক লিখনি নিৰ্বাচন কৰি আলোচনী খনত প্ৰকাশৰ উপযোগী কৰি তোলাৰ প্ৰচেষ্টা চলোৱা হয় । এই ক্ষেত্ৰত আলোচনীখনৰ তত্ত্বাৱধায়ক, মোৰ মাননীয় শিক্ষাগুৰু শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা আৰু শিক্ষাগুৰু মাননীয় শ্ৰীযুত দিলীপ কুমাৰ দাস দেৱৰ অক্লান্ত চেষ্টা আৰু শ্ৰম স্মৰণযোগ্য । তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ । শেষত খৰধৰকৈ হ'লেও আলোচনীখন প্ৰকাশৰ পৰ্থলৈ আনি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ । অৱশ্যে প্ৰবন্ধ-পাতিৰ মান কিমান উন্নত হৈছে সেইটো পঢ়ুৱৈ সমাজৰ বিচাৰ্য। এইখিনিতে উল্লেখ কৰিব পাৰি যে বিভিন্ন কাৰণত মুখপত্ৰখন সময়মতে প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ । এষাৰ কথা কোৱা ভাল হ'ব যে ইংৰাজী শাখাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা লিখনিৰ সংখ্যা তেনেই নগণ্য আছিল। সেইখিনিও আলোচনীত প্ৰকাশৰ কাৰণে অনুপযুক্ত। আশা কৰোঁ, ভৱিষ্যতে লেখক-লেখিকাসকলে ইংৰাজীত প্ৰবন্ধ-পাতি লিখাৰ চেষ্টা কৰিব। প্ৰবন্ধ-পাতি মানবিশিষ্ট আৰু আলোচনীত প্ৰকাশৰ কাৰণে উপযোগী হোৱা নিতান্ত দৰকাৰ । শেষত লেখক-লেখিকাসকলে নিয়মিতভাৱে সাহিত্য চৰ্চা কৰি উৎকৃষ্ট প্ৰবন্ধ-পাতিৰে ভৱিষ্যতে আলোচনীখনৰ মান আৰু উন্নত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাওক- ইয়াকে কামনা কৰোঁ ।

মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ৰ সম্পাদনা কৰ্মত মোক সকলো প্ৰকাৰে দিহা-পৰমৰ্শ দি সহায় কৰা বাবে মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু তথা আলোচনীখনৰ তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে আলোচনীখনত প্ৰকাশৰ কাৰণে প্ৰবন্ধ-পাতি নিৰ্বাচন কৰি, চাই-মেলি আৰু শুধৰাই দিয়াৰ বাবে মই মাননীয় শিক্ষাগুৰু শ্ৰীযুত দিলীপ কুমাৰ দাস, শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা, শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়া আৰু শ্ৰীযুতা জয়শ্ৰী ভূঞালৈ মোৰ আনন্তবিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে বিভিন্ন দিশত মোলৈ সহায়-পৰামৰ্শ